ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

afd AGENCE FRANÇAISE DE DÉVELOPPEMENT

Divisional Forest Officer
Bodoland Territorial Council
Dhansiri Forest Division, Udalguri

# ৰাজাগড় পৰিৱেশ উন্নয়ন সমিতি

## বৰনদী বন সংমণ্ডল

# ক্ষুদ্ৰ প্ৰকল্প আঁচনি

(২০১৭-১৮ৰ পৰা ২০২৬-২৭)

প্ৰস্তুতকৰ্তা ঃ ৰাজাগড় পৰিৱেশ উন্নয়ন সমিতিৰ

সহযোগত

বনাঞ্চল বিভাগ, অসম

আৰু

ক'ম্‌পেল'

(ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট)

(আই আই ই আৰু আৰ জি ভি এন )

মে'-২০১৭

Divisional Forest Officer
Dhansiri Forest Division
Udalguri, BTC

## সাংকেতিক শব্দ বিন্যাস তালিকা ঃ—

| সাংকেতিক শব্দ | মূল ভাঙনি |
|---|---|
| APFBC | Assam Project on Forest and Bio-diversity Conservation |
| (এ পি এফ বি চি) | (বনাঞ্চল আৰু জৈৱ-বৈচিত্র্য সম্পৰ্কীয় প্ৰকল্প, অসম) |
| AFD | Agency France de Development |
| (এ এফ ডি) | (উন্নয়ন বিষয়ক ফৰাচী সংস্থা) |
| BPL | Bellow Poverty Line |
| (বি পি এল) | (দাৰিদ্ৰ সীমাৰেখাৰ তলৰ) |
| BTC | Bodoland Territorial Council |
| (বি টি চি) | (বড়োলেণ্ড ক্ষেত্ৰীয় এলেকা পৰিষদ) |
| COMPELO | Consortium for Micro Planning and Enhancing Livelihood Opportunities |
| (ক'মপেল') | (ক্ষুদ্ৰ প্ৰকল্প আঁচনি আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট) |
| EPA | Entry Point Activities |
| (ই পি এ) | (প্ৰাৰম্ভিক কাৰ্যব্যৱস্থাপনা) |
| GIS | Geographical Information System |
| (জি আই এছ) | (ভৌগোলিক তথ্য ব্যৱস্থাপনা) |
| Ha | Hectare |
| (হে) | (হেক্টৰ (মাটিকালি)) |
| IIE | Indian Institute of Entrepreneurship |
| আই আই ই | (ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান) |
| EDC | Eco-Development Committee |
| (ই ডি চি) | (পৰিৱেশ উন্নয়ন কমিটী) |
| Kg | Kilogram |
| (কে জি) | (কিলোগ্ৰাম) |
| Km | Kilometer |
| (কে এম) | (কিলোমিটাৰ) |
| Manas NP | Manas National Park |
| (মানস এন পি) | (মানস ৰাষ্ট্ৰীয় উদ্যান) |
| Manas TP | Manas Tiger Project |
| (মানস টি পি) | (মানস ব্যাঘ্ৰ প্ৰকল্প) |
| NGO | Non-Governmental Organization |
| (এন জি অ') | (অনা-চৰকাৰী সংস্থা) |
| NTFP | Non Timber Forest Product |
| (এন টি এফ পি) | (গছবিহীন বনজ উৎপাদিত সামগ্ৰী) |
| PDS | Public Distrubution System |
| (পি ডি এছ) | (ৰাজহুৱা বিতৰণ ব্যৱস্থা) |
| PRA | Participatory Rural Appraisal |
| (পি আৰ এ) | (গ্ৰামীণ অংশগ্ৰহণকাৰীৰে যোগাযোগ) |
| Rs. | Indian Rupee |
| (আৰ এছ) | (ভাৰতীয় মুদ্ৰা) |
| SHG | Self Help Group |
| (এছ এইচ জি) | (আত্মসহায়ক গোট) |
| VCDC | Village Council Development Committee |
| (ভি চি ডি চি) | (গ্ৰাম পৰিষদ উন্নয়ন সমিতি) |

# ৰাজাগড় পৰিৱেশ উন্নয়ন সমিতি

## জীৱিকা বিকাশ পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা

## সূচীপত্র


| | | |
|---|---|---|
| (১) | পাতনি ঃ ..................................................... | ৫ |
| (২) | গ্ৰামীণ আৰ্থ-সামাজিক আকৃতি......................... | ৬ |
| (৩) | জীৱিকাৰ সুযোগ বিশ্লেষণ.............................. | ১১ |
| (৪) | জীৱিকাৰ বিকাশ পৰিকল্পনা............................ | ১৩ |
| | অতিৰিক্ত সূচী ............................................ | ১৭-৪১ |

ৰাজাগড় ই ডি চিৰ সভাপতিৰ সহযোগত শুধৰণি প্ৰস্তুত— ডি এফ অ', ধনশিৰি বন সংমণ্ডল, ওদালগুৰি জিলা

| ক্ৰমিক নং | খণ্ড সংখ্যা/অনুসূচী | শিৰোণাম | পৃষ্ঠা নং | শুধৰণি কৰা বিষয় |
|---|---|---|---|---|
| ১ | খণ্ড সংখ্যা-২ | গ্ৰাম্য আৰ্থ-সামাজিক বিৰৰণ | ৬ | বজাৰৰ দূৰত্ব |
| ২ | খণ্ড সংখ্যা-৩ | জীৱিকাৰ সুযোগ বিশ্লেষণ | ৮ | ই পি এৰ শ্ৰেণীবদ্ধকৰণ |
| ৩ | খণ্ড সংখ্যা-৪ | জীৱিকাৰ বিকাশ পৰিকল্পনা | ১০ | সামাজিক মূলধন, এছ্ এইচ জিৰ সংখ্যা |
| ৪ | অনুসূচী- ৩ | পি আৰ এ কাৰ্যপ্ৰণালী | ১৭ | ৰাজাগড় ই ডি চিৰ আয় |
| ৫ | অনুসূচী- ৬ | গাঁৱৰ প্ৰাথমিক তথ্য | ৩১-৩২ | গাঁওভিত্তিক আন্তঃগাঁথনি |
| ৬ | অনুসূচী- ৬ | গাঁৱৰ প্ৰাথমিক তথ্য | ৩৩ | জলসম্পদৰ সুবিধা |

## (১) পাতনি

**পৰিকল্পনাৰ বিষয়** : বন আৰু জৈৱিক সংৰক্ষণৰ অসম পৰিকল্পনাৰ মুখ্য লক্ষ্য হ'ল কিছু লক্ষ্যস্থানত বন বিভাগৰ সহযোগিতা আৰু বিভিন্ন ধৰণৰ বহুমুখী পৰিকল্পনাৰ জৰিয়তে গ্ৰহণযোগ্য বনজ আৰু জৈৱিক সংৰক্ষণ আৰু নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা আৰু এনেধৰণৰ ব্যৱস্থাক মজবুত কৰি বনজ আৰু অনা-বনজ জাতীয় বস্তুৰ গ্ৰহণযোগ্য ব্যৱহাৰৰ জৰিয়তে জীৱন ধাৰণৰ সুষম ব্যৱস্থা কৰা। এই আঁচনিৰ লক্ষ্যসমূহ এনেধৰণে বৰ্ণনা কৰা হৈছে। বন বিভাগৰ বিভিন্ন গোটৰ সহযোগিতাত এই গোটসমূহৰ জীৱিকা নিৰ্বাহৰ প্ৰথাসমূহ মজবুত কৰি সংৰক্ষণ আৰু জৈৱিক বৈষম্যৰ গ্ৰহণযোগ্য ব্যৱস্থা কৰা।

ফ্ৰান্স উন্নয়নকামী এজেন্সী, এজেন্সী ফ্ৰান্স ডি ডেভেলপমেণ্ট (এ এফ ডি)ৰ জৰিয়তে এই আঁচনিত বিশেষকৈ ধনৰ সাহায্য আগবঢ়োৱা হৈছে। ইয়াত সহকাৰী ধন যোগাৰ কৰোঁতা হিচাপে আছে অসম চৰকাৰ। বনজ আৰু জৈৱিক পদাৰ্থৰ সংৰক্ষণৰ অসম আঁচনি এই পৰিকল্পনাৰ বাবে নীতি গ্ৰহণ কৰা, চোৰাচিতা কৰা ইত্যাদি বিভিন্ন ব্যৱস্থাৰ বাবে দায়বদ্ধ।

**ক্ষুদ্ৰ আঁচনি আৰু জীৱন ধাৰণ উন্নীতকৰণ** : বজাৰৰ সমৰ্থ অনুযায়ী মূল্যাংকন বৃদ্ধি, বৰ্তমানৰ আঁচনিয়ে উদ্যোগীকৰণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া, মাৰ্কেটিঙৰ ওপৰত গুৰুত্ব দিয়া ইত্যাদিৰ জৰিয়তে জীৱন ধাৰণৰ কাৰ্যকলাপৰ বিষয়ে উন্নয়ন সাধন কৰা। বৰ্তমানৰ জনসংখ্যাৰ ক্ৰমবৰ্ধমান গতিৰ বাবে বৰ্তমানৰ বনজ সম্পদৰ ওপৰত পৰা বিৰাট হেঁচা বা চাপৰ বাবে এনেধৰণৰ ব্যৱস্থাৰ প্ৰয়োজন হৈছে। বজাৰৰ ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰি বৰ্তমানৰ বনজ আৰু জৈৱিক বস্তুৰ ওপৰত লাহে লাহে ইয়াৰ মূল্যাংকন সংযোজনৰ সময় আহি পৰিছে। ইয়াৰ উপৰি বনজ সম্পদৰ বাহিৰে অন্যান্য সম্পদৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে সমাজৰ অন্যান্য সদস্যসমূহৰ নৈপুণ্য বৃদ্ধিৰ কৌশলসমূহৰ জৰিয়তে অন্যান্য ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত।

ভাৰতীয় উদ্যোগীকৰণ প্ৰতিষ্ঠান, গুৱাহাটী, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ সহযোগত জীৱিকা বিকাশৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনা হাতত লোৱা হৈছে, যাতে ক্ষুদ্ৰ আঁচনি আৰু জীৱন ধাৰণৰ উন্নয়ন এই ব্যৱস্থাৰ দ্বাৰা সম্ভৱ। এই উমৈহতীয়া অনুষ্ঠানটিক ক্ষুদ্ৰ আঁচনি আৰু জীৱন ধাৰণৰ সুবিধাসমূহৰ যুটীয়া ৰাজশক্তি (কম্‌পেল') নামেৰে নামকৰণ কৰা হৈছে।

এই আঁচনিৰ নীতি-নিয়ম অনুযায়ী এই ক্ষুদ্ৰ পৰিকল্পনাৰ অন্তৰ্ভুক্ত অন্যান্য ব্যৱস্থাসমূহৰ ভিতৰত— 'গ্ৰামীণ আৰু বনজ উন্নীতকৰণৰ অন্যান্য ব্যৱস্থাসমূহ— বনাঞ্চল নিৰ্ভৰশীল সদস্যসকলৰ জীৱন ধাৰণৰ ব্যৱস্থাত সহায় কৰা, বন পৰিচালনাত যথেষ্টসংখ্যক বিষয়া/কৰ্মচাৰীৰ সহায় লোৱা ইত্যাদি।' ইয়াত বন বিভাগ আৰু জীৱন ধাৰণৰ উন্নয়নকৰণৰ বিভিন্ন ব্যৱস্থা জড়িত হৈ আছে।

**দাওৰায়বাৰী ই ডি চিৰ বাবে ক্ষুদ্ৰ প্ৰকল্প** : এই পৰিকল্পনাত ৰাজাগড় পৰিৱেশ উন্নয়ন সমিতি (ই ডি চি)ৰ বাবে ক্ষুদ্ৰ প্ৰকল্পৰ তথ্য দাঙি ধৰা হৈছে। এই সমিতিখন অসমৰ ওদালগুৰি জিলাৰ ধনশিৰি বন সংমণ্ডলৰ অধীনস্থ ওদালগুৰি জিলাত অৱস্থিত। পৰৱৰ্তী শিতানত এই কমিটীৰ বিষয়ে আলোচনা কৰা হৈছে।

এই ক্ষুদ্ৰ পৰিকল্পনা প্ৰস্তুত কৰিছে অঞ্চলটোৰ স্থানীয় পুৰুষ-মহিলাসকলে। ২৮ মে' ২০১৭ত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (আই আই ই), গুৱাহাটীৰ বিষয়ববীয়া আৰু গাঁৱৰ সদস্যসকলৰ দ্বাৰা আয়োজিত পি আৰ এ অনুশীলনৰ ফলত এই তথ্য প্ৰস্তুত কৰা হয়। প্ৰকল্পৰ নীতি-নিৰ্দেশনা অনুসৰি আই আই ইয়ে এই ক্ষুদ্ৰ প্ৰকল্প আঁচনি প্ৰস্তুত কৰে আৰু সকলো আলোচনাৰ অন্তত মে' ২০১৭ত ইয়াক গৃহীত কৰা হয়।

## (২) গ্ৰামীণ আৰ্থ-সামাজিক আকৃতি

**স্থান** ঃ ৰাজাগড় সংৰক্ষিত বনাঞ্চল সংলগ্ন ৰাজাগড় গাঁৱৰ আৰাসী এলেকাৰ জনসাধাৰণক লৈ পৰিৱেশ উন্নয়ন সমিতি (ই ডি চি) গঠন কৰা হৈছে। অসমৰ ওদালগুলি জিলাৰ ৰাজাগড় ভি চি ডি চিৰ অধীনস্থ এলেকাক এই ই ডি চিয়ে সামৰি লৈছে।

**অতিৰিক্ত সূচী (১)ত ইয়াৰ তথ্য গাঁৱৰ মানচিত্ৰসহ দেখুওৱা হৈছে।**

**প্ৰধান তথ্যসমূহ** ঃ **ই ডি চিৰ প্ৰধান তথ্যসমূহ তলত উল্লেখ কৰা হ'ল—**

**তালিকা (ক) ই ডি চিৰ প্ৰধান তথ্যসমূহ—**

| **ই ডি চিৰ নাম** | **ৰাজাগড়** |
|---|---|
| বসতি এলেকা | ৰাজাগড় (১, ২, ৩, ৪) |
| ৰাজহ গাঁৱৰ নাম | ৰাজাগড় |
| গাঁও পঞ্চায়ত/ভিচিডিচিৰ নাম | ৰাজাগড় |
| ৰাজহ চক্ৰ | হৰিশিঙা |
| জিলা | ওদালগুৰি |
| বন সংমণ্ডল | ধনশিৰি বন সংমণ্ডল |
| বনাঞ্চল ক্ষেত্ৰীয় এলেকা | বৰনদী বনাঞ্চল ক্ষেত্ৰীয় এলেকা |
| বনাঞ্চলৰ বীট এলেকা | — |
| স্থাপিত | ২০১৬ |
| ই ডি চিৰ সীমা বৰ্ণনা | জি পি এছ নিয়ন্ত্ৰিত<br>N 26⁰45'0"-26⁰47'0",<br>E 90⁰43'0"-91⁰46'0"<br>উত্তৰে ঃ বৰনদী বন্যপ্ৰাণী সংৰক্ষিত এলেকা<br>দক্ষিণে ঃ ধৰমজুলি<br>পশ্চিমে ঃ বৰনদী নৈ<br>পূবে ঃ বৰঙাজুলি |

**উৎস ঃ** ২০১৭ত পি আৰ এ অনুশীলনত হোৱা আলোচনা আৰু ই ডি চিৰ সংগৃহীত তথ্যৰ আধাৰত। **(অতিৰিক্ত বিশদ তথ্য তালিকা-১ ৰেকৰ্ড-১ অতিৰিক্ত সূচীত সন্নিৱিষ্ট)**

**কাৰ্যনিৰ্বাহক কমিটীৰ চমু বিৱৰণ** **নিম্নোক্ত নক্সাত ই ডি চিৰ কাৰ্যনিৰ্বাহক সভা আৰু সাধাৰণ সভাৰ চমু বিৱৰণ প্ৰকাশ কৰা হ'ল—**

**নক্সা খ— কাৰ্যনিৰ্বাহক আৰু সাধাৰণ সভাৰ চমু বিৱৰণ**

| | |
|---|---|
| **সভাপতিৰ নাম** | নীলৰতন ৰয় |
| **সম্পাদকৰ নাম** | থুংৰিছা বড়ো |
| **কোষাধ্যক্ষৰ নাম** | চন্দন ডেকা |
| **কাৰ্যবাহী কমিটীৰ সদস্যৰ সংখ্যা** | মুঠ- ৯, পুৰুষ- ৬, মহিলা- ৩ |
| **পঞ্জীয়ন নম্বৰ** | MTP/EDC/20 1March 2016 |
| **সাধাৰণ সভাত সদস্যৰ সংখ্যা** | প্ৰতিঘৰ আৰাসীৰ এজনকৈ সদস্য |

**ঘৰে প্ৰতি জনসংখ্যাৰ নমুনা** ঃ **(ক) ১নং ৰাজাগড়**— গাঁওখনত ৬০টা আৰাসী পৰিয়াল আছে। ইয়াৰে মুঠ জনসংখ্যা ২৬৮ৰ ভিতৰত ১৩৭ পুৰুষ আৰু ১৩১গৰাকী মহিলা। ১নং ৰাজাগড়ত সকলো শ্ৰেণীৰ

জনসাধাৰণ আছে।
তালিকা ২ ৰেকৰ্ড-১ (অনুসূচী-৬)ত সবিশেষ তথ্য উল্লেখ কৰা হৈছে। ওপৰোক্ত তথ্যৰ পৰা দেখা গৈছে যে—
(১) গড়ে পৰিয়ালৰ সদস্য সংখ্যা-৫।
(২) লিংগৰ অনুপাত ১০০০ পুৰুষৰ বিপৰীতে মহিলা ৯৫৬।

**(খ) ২নং ৰাজাগড়—** গাঁওখনত ৩০৫টা আৱাসী পৰিয়াল আছে। ইয়াৰে মুঠ জনসংখ্যা ১৫৩২ৰ ভিতৰত ৭৫৮ পুৰুষ আৰু ৭৭৪গৰাকী মহিলা। ২নং ৰাজাগড়তো সকলো শ্ৰেণীৰ জনসাধাৰণ আছে।
তালিকা ২ ৰেকৰ্ড-১ (অনুসূচী-৬)ত সবিশেষ তথ্য উল্লেখ কৰা হৈছে। ওপৰোক্ত তথ্যৰ পৰা দেখা গৈছে যে—
(১) গড়ে পৰিয়ালৰ সদস্য সংখ্যা-৫।
(২) লিংগৰ অনুপাত ১০০০ পুৰুষৰ বিপৰীতে মহিলা ১০২১।

**(গ) ৩নং ৰাজাগড়—** গাঁওখনত ৭৫টা আৱাসী পৰিয়াল আছে। ইয়াৰে মুঠ জনসংখ্যা ৪৪৫ৰ ভিতৰত ২৩০ পুৰুষ আৰু ২৫০গৰাকী মহিলা। ৩নং ৰাজাগড়ত সকলো শ্ৰেণীৰ জনসাধাৰণ আছে যদিও অন্যান্য পিছপৰা শ্ৰেণীৰ লোক নাই।
তালিকা ২ ৰেকৰ্ড-১ (অনুসূচী-৬)ত সবিশেষ তথ্য উল্লেখ কৰা হৈছে। ওপৰোক্ত তথ্যৰ পৰা দেখা গৈছে যে—
(১) গড়ে পৰিয়ালৰ সদস্য সংখ্যা-৬।
(২) লিংগৰ অনুপাত ১০০০ পুৰুষৰ বিপৰীতে মহিলা ৯৩৫।

**(ঘ) ৪নং ৰাজাগড়—** গাঁওখনত ২১৫টা আৱাসী পৰিয়াল আছে। ইয়াৰে মুঠ জনসংখ্যা ১০৭৭ৰ ভিতৰত ৫০০ পুৰুষ আৰু ৫৭৭গৰাকী মহিলা। ৪নং ৰাজাগড়ত সকলো শ্ৰেণীৰ জনসাধাৰণ আছে।
তালিকা ২ ৰেকৰ্ড-১ (অনুসূচী-৬)ত সবিশেষ তথ্য উল্লেখ কৰা হৈছে। ওপৰোক্ত তথ্যৰ পৰা দেখা গৈছে যে—
(১) গড়ে পৰিয়ালৰ সদস্য সংখ্যা-৫।
(২) লিংগৰ অনুপাত ১০০০ পুৰুষৰ বিপৰীতে মহিলা ১১৫৪।
তালিকা- (গ) ঃ বয়স আৰু লিংগৰ ভাগ—

| আৱাসীৰ সংখ্যা | জনসাধাৰণ (নং) | | | লিংগৰ অনুপাত | গড় সদস্য সংখ্যা |
|---|---|---|---|---|---|
| | মুঠ | পুৰুষ | মহিলা | | |
| ৬৫৫ | ৩৩২২ | ১৬২৫ | ১৬৯৭ | ১০৪৪ | ৫ |

**শিক্ষা আৰু নৈপুণ্যৰ বিকাশ** ঃ ই ডি চি এলেকাৰ প্ৰায় ৩৬.১ শতাংশ (১২০০)ৰো অধিক জনসংখ্যা শিক্ষিত যদিও অধিকাংশ জনসংখ্যা (৬৩.৯ শতাংশ) অশিক্ষিত। শিক্ষিতসকলৰ ভিতৰত অধিকসংখ্যকে (৫৭.৩ শতাংশ)বিদ্যালয় পৰ্যায়ৰ শিক্ষা লাভ কৰিছে। আনহাতে খুব কম সংখ্যকেহে উচ্চ শিক্ষা আহৰণ কৰিছে। গাঁওখনত বহু কমসংখ্যক সদস্যই স্নাতক পৰ্যায়ৰ শিক্ষা লাভ কৰিছে। জীৱিকাৰ বাবে শৈক্ষিক নৈপুণ্য সাধাৰণতে দুটা ব্যৱস্থাপনা— আনুষ্ঠানিক বা অনানুষ্ঠানিক ধৰণে আহৰণ কৰিব পৰা যায়। ই ডি চি এলেকাত অনানুষ্ঠানিক মানে পৰম্পৰাগত পদ্ধতিৰে দক্ষতাৰ বিকাশ সম্ভৱ। তলত উল্লেখ কৰা ধৰণে পৰম্পৰাগত দক্ষতা আহৰণ কৰে।
(ক) চাহ খেতি, (খ) বয়ন, (গ) পশুপালন, (ঘ) দিন মজুৰি
চৰকাৰে দেশত দক্ষতা বিকাশৰ বাবে উদগনিমূলক ব্যৱস্থা হাতত লৈছে। অৱশ্যে এই অঞ্চল বা চুবুৰীয়া অঞ্চলৰ খুব কমসংখ্যক আৱাসীয়েহে তেনে সা-সুবিধা লাভ কৰিছে।

**মাটি** ঃ অঞ্চলটোৰ মাটিৰ গুণমান বালিমহীয়া, আঠালেটীয়া মাটি। এই ধৰণৰ মাটি বিভিন্ন কৃষিকৰ্মৰ বাবে উপযুক্ত। কিয়নো সামগ্ৰিকভাৱে অঞ্চলটোৰ মাটি সাৰুৱা।

**পানী** ঃ ই ডি চি এলেকাটোত জলসম্পদৰ কোনো বিশেষ প্ৰকৃতিক ব্যৱস্থা নাই। অঞ্চলবাসীয়ে পি এইচ ই ডি বিভাগৰ দ্বাৰা যোগান ধৰা পানীৰ ওপৰতেই নিৰ্ভৰশীল। তেওঁলোকে সকলো কামৰ বাবে এই পানীকেই ব্যৱহাৰ কৰে। অৱশ্যে সঘনাই হোৱা বিদ্যুৎ যোগন কৰ্তনৰ বাবে অঞ্চলবাসীয়ে নিয়মিতভাৱে পানী ব্যৱহাৰ কৰিব নোৱাৰে।

**জলবায়ু ঃ উত্তাপ আৰু বৰষুণৰ মাত্ৰা** ঃ ই ডি চি এলেকাৰ জলবায়ুত আৰ্দ্ৰতাৰ পৰিমাণ বেছি। একেদৰে পৰিৱেশত গৰম আৰু শীতৰ প্ৰভাৱো আছে। ই ডি চি এলেকাটো অসমৰ উত্তৰ প্ৰান্তৰ সমতল ভূমিত অৱস্থিত। গ্ৰীষ্মকালত (মে'ৰ পৰা ছেপ্টেম্বৰলৈ) অত্যধিক বৰষুণ হয়। অঞ্চলটোত বৰষুণৰ পৰিমাণ সাধাৰণতে ২০০০ এম এম আৰু উষ্ণতা ৩৪.৫০° চেলচিয়াছৰ পৰা সৰ্বনিম্ন ১৩.৫০° চেলচিয়াছ পৰ্যন্ত হয়। আৰ্দ্ৰতাৰ পৰিমাণ ৮২-৮৮ শতাংশ হোৱা দেখা যায়।

**বন আৰু জৈৱিক ভিন্নতা** ঃ ই ডি চি এলেকাটোৰ বৰনদী বন্যপ্ৰাণী সংৰক্ষণ এলেকাত বহু মূল্যৱান গছ, যেনে— গমাৰী, টিক, এজাৰ, খকন, তিতাচপা আদি পোৱা যায়। ই ডি চি এলেকাৰ গাঁওসমূহত চাহ খেতিয়েই হৈছে প্ৰধান। অঞ্চলটোত উৎপাদিত অন্যান্য প্ৰয়োজনীয় গছৰ ভিতৰত আম, কঁঠাল, মাকৈ, বাঁহ আদি অন্যতম।

**মাটি ব্যৱহাৰৰ পদ্ধতি** ঃ অনুসূচী- ২ত এই বিষয়ে বিশেষভাৱে দিয়া আছে।

শস্য পথাৰ— ১২.৯৪%

পথ— ১.৬২%

নিষ্পত্তি হোৱা মাটিকালি— ২৭.৬৩%

ৰাজহ এলেকা— ৩.৭০%

চাহ বাগিচা— ৫৪.১১%

মুঠ এলেকা— ১১৩৭.৮৮ হেক্টৰ

**মাটিৰ দখল** ঃ **তালিকা ৩ৰ ৰেকৰ্ড ১ত দখলত থকা মাটিৰ অৱস্থাৰ বিষয়ে গম পোৱা যায়।**

- ৬.৯% আৱাসী পৰিয়াল ভূমিহীন (৪৫টা পৰিয়াল)
- ১.৫% আৱাসী পৰিয়াল অৱস্থাসম্পন্ন খেতিয়ক (১০টা পৰিয়াল)
- ৪৮.৯% আৱাসী পৰিয়াল মধ্যমীয়া খেতিয়ক (৩২০টা পৰিয়াল)
- ৪২.৭% ক্ষুদ্ৰ খেতিয়ক (২৮০টা পৰিয়াল)

**পশুপালন** ঃ গাঁওখনত সৰ্বমুঠ পালিত পশুৰ সংখ্যা হ'ল— ৭৩৯। মূল পশুপালন হ'ল—

| | | |
|---|---|---|
| গাইগৰু | ঃ | ৭৫০ |
| ছাগলী | ঃ | ১৪৫০ |
| গাহৰি | ঃ | ১২৫ |
| হাঁহ-কুকুৰা পালন | ঃ | ৪৩০০ |
| হাঁহ | ঃ | ৮২০ |
| পাৰ | ঃ | ৫০০ |

**তালিকা ৪ৰ ৰেকৰ্ড-১**খন বিভিন্ন সময়ত প্ৰয়োজন অনুযায়ী ওপৰোক্ত হিচাপৰ লগত সংযোগ কৰিব পাৰি।

**গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগৰ সুবিধা** ঃ যিকোনো সমাজত যোগাযোগৰ আন্তঃগাঁথনি ব্যৱস্থাই জীৱিকা বিকাশৰ বিকল্পত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। গাঁৱৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্তোষজনক নহয়।

**নক্সা-৫** ৰেকৰ্ড-১ (অনুসূচী- ৬)ত এই গাঁৱৰ আন্তঃগাঁথনিৰ বিষয়ে বিশদভাৱে প্ৰকাশ কৰা হ'ল।

ওপৰোক্ত নক্সাৰ পৰা গাঁৱৰ আন্তঃগাঁথনিৰ বিষয়ে নিম্নোক্ত কথাখিনি ক'ব পাৰি—

**মূল আন্তঃগাঁথনি ঃ** এলেকাটোৰ আৱাসীসকলে মূল আন্তঃগাঁথনিগত বিষয়, যেনে— ৰাস্তা, যাতায়াত ব্যৱস্থা আদিৰ পৰা বঞ্চিত।

**শিক্ষা আৰু স্বাস্থ্য ব্যৱস্থা ঃ** ই ডি চি এলেকাটোত ৫খন প্ৰাথমিক বিদ্যালয় আৰু দুখন মাধ্যমিক বিদ্যালয় আছে। উচ্চ শিক্ষাৰ বাবে গাঁওবাসীয়ে গাঁৱৰ বাহিৰলৈ যাব লগা হয়। গাঁৱত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু পশু চিকিৎসা কেন্দ্ৰ নাই।

**চৰকাৰী কাৰ্যালয় ঃ** চৰকাৰী কাৰ্যালয়, যেনে— আৰক্ষী থানা, গাঁও পঞ্চায়ত, ৰাজহ কাৰ্যালয়, বীট অফিচ আদি গাঁৱৰ পৰা যথেষ্ট দূৰত।

**বিত্তীয় প্ৰতিষ্ঠান ঃ** ই ডি চি এলেকাটোৰ ভিতৰত এটা ডাকঘৰৰ বাহিৰে আন কোনো বিত্তীয় সুবিধা থকা কাৰ্যালয় নাই। অঞ্চলটোৰ পৰা বহু নিলগত এটা বেংক আছে।

**কৃষিজাত শস্য** ঃ তালিকা-৬ ৰেকৰ্ড-১ (অনুসূচী- ৬) গাঁৱত উৎপন্ন হোৱা কৃষিজাত শস্যৰ বিশেষ বিৱৰণ দিয়া হৈছে।

নিম্নোক্ত শস্যসমূহ মুখ্য শস্য বুলি এই গাঁৱত জনাজাত।

খাৰিফ শস্য ঃ নাই

ৰবি শস্য ঃ ৰঙালাউ, পানীলাউ, মূলা, পালেং শাক আদি অন্যতম।

অন্যান্য ঃ চাহ, তামোল ইত্যাদি।

**শস্য উৎপাদনৰ বিৱৰণ** ঃ তালিকা-৭ ৰেকৰ্ড-১ত (অনুসূচী- ৬)ত এই বিষয়ে বিশেষভাৱে দেখুওৱা হৈছে।

তলত শস্যৰ উৎপাদন আৰু ফচলৰ তথ্য তলত দিয়া হ'ল—

- চাহ খেতি ঃ ১৪২২০ কুইণ্টল উৎপাদন, ফচল ১৮ কুইণ্টল প্ৰতি হেক্টৰ
- পাচলি ঃ ১০০ কুইণ্টল উৎপাদন, ফচল ১ কুইণ্টল প্ৰতি হেক্টৰ
- তামোল ঃ ৫৬০ কুইণ্টল উৎপাদন, ফচল ১০ কুইণ্টল প্ৰতি হেক্টৰ

**পশু খাদ্যৰ উৎস** ঃ **নক্সা-৮** ৰেকৰ্ড-১ত পশুৰ বাবে খাদ্যৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

(ক) খেতিৰ বাকী ৰোৱা অংশ (১ৰ পৰা ৩ মাহ)

(খ) বনাঞ্চলৰ ঘাঁহনি (> ৬ মাহ)

(গ) ঘৰুৱা পেলনীয়া (> ৬ মাহ)

(ঘ) সেউজীয়া খাদ্য (১ৰ পৰা ৩ মাহ)

**বজাৰ** ঃ তালিকা- ৯ ৰেকৰ্ড- ১ৰ দ্বাৰা বিভিন্ন বজাৰৰ স্থিতি উল্লেখ কৰা হৈছে। ৰাইজে ব্যৱহাৰ কৰা মুখ্য বজাৰকেইখনমান হ'ল—

(ক) গেলামাল/পি ডি এছ ঃ গাঁৱৰ ভিতৰতে

(খ) সাপ্তাহিক/অৰ্ধসাপ্তাহিক বজাৰ ঃ ১২ কিলোমিটাৰ দূৰত্বৰ ডিমাকুছি।

(গ) ডাঙৰ বা মুখ্য বজাৰ ঃ ১২ কিলোমিটাৰ দূৰত্বৰ ডিমাকুছি।

জলসম্পদ ঃ **তালিকা ১০ৰ ৰেকৰ্ড ১ত জলজ সম্পদৰ তথ্য পোৱা যায়।**

গাঁৱৰ বাসিন্দাসকলে জনস্বাস্থ্য কাৰিকৰী বিভাগে যোগান ধৰা পানীৰ ওপৰত নিৰ্ভৰ কৰে।

**শক্তিৰ ব্যৱহাৰ** ঃ **তালিকা ১১ৰ ৰেকৰ্ড ১ত এই বিষয়ে বিশেষ উল্লেখ কৰা হৈছে। এই তালিকাত গাঁৱত**

**ব্যৱহৃত শক্তিৰ মুখ্য উৎসৰ বিষয়ে আলোচনা কৰা হৈছে।**

**(ক)** খৰি ঃ নিৰ্ভৰশীল পৰিয়াল— ৬৫৫টা, উৎস ঃ ঘৰত জমা থকা আৰু বনাঞ্চলৰ পৰা সংগ্ৰহ কৰা।

**(খ)** কেৰাচিন ঃ নিৰ্ভৰশীল পৰিয়াল— ১৪২টা, উৎস ঃ খোলা বজাৰৰ পৰা সংগ্ৰহ কৰা হয়।

**(গ)** এল পি জি ঃ নিৰ্ভৰশীল পৰিয়াল— ২০২টা, উৎস ঃ এজেন্সী

**আৰ্থ-সামাজিক মৰ্যাদা** ঃ **সামাজিক স্থিতি ঃ** গাঁওখনত মিশ্ৰিত জনগোষ্ঠীৰ লোক আছে আৰু তেওঁলোকক অ' বি চি, এছ চি, এছ টি আৰু সাধাৰণ শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে। লোকসকল হিন্দু আৰু খ্ৰীষ্টান ধৰ্মীয়।

**আৰ্থিক অৱস্থা ঃ** আৰ্থিক স্থিতি এই গাঁৱত সন্তোষজনক নহয়। সাধাৰণতে লোকসকলৰ পেছা খেতি, দিন হাজিৰা কৰা, উদ্যান শস্য, পশুপালন আদি। গাঁওখনৰ লোকসকলে বছৰি ৫০,০০০ টকাৰ পৰা ৫,০০,০০০ টকা পৰ্যন্ত আয় কৰে।

ইয়াৰ সবিশেষ পিছৰ অধ্যায়ত পোৱা যাব।

**বন্যপ্ৰাণী সংৰক্ষিত এলেকাৰ প্ৰভাৱ** ঃ **যোগাত্মক প্ৰভাৱ ঃ**

- মাটি আৰু পানীৰ সংৰক্ষণ
- পৰ্যটনৰ পৰা অৰ্থনৈতিক লাভালাভ
- পৰিৱেশৰ উন্নয়ন

ঃ **ঋণাত্মক প্ৰভাৱ ঃ**

- মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সংঘাত
- পোহনীয়া জন্তু আৰু অৱশিষ্ট খাদ্যশস্যৰ বাবে বন্যপ্ৰাণীৰে সংঘাত
- বন্যপ্ৰাণীৰ দ্বাৰা সম্পত্তিৰ ক্ষতিসাধন

**মানচিত্ৰ** ঃ **অনুসূচী-১ আৰু ২ত উল্লিখিত মানচিত্ৰত বিশদ আলোচনা কৰা হৈছে।**

(ক) গাঁৱৰ মেপ

(খ) গাঁৱৰ সামাজিক মেপ (পি আৰ এৰ নিৰ্দিষ্ট সদস্য আৰু নামৰ সৈতে)

(গ) গাঁৱৰ সমূহীয়া সম্পদৰাজিৰ মেপ

(ঘ) ভেন চিত্ৰ

(ঙ) কপাটি চিত্ৰ

## ৩ জীৱিকাৰ সুযোগ বিশ্লেষণ

**পি আৰ এ অনুশীলন** ঃ ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান, গুৱাহাটীৰ জৰিয়তে ৰাজাগড় গাঁৱত এক অনুশীলন কৰা হৈছিল— তাৰিখ ঃ ২৮ এপ্ৰিল, স্থান ঃ ৪নং ৰাজাগড় নৱজ্যোতি মিলন সংঘ। উপস্থিত জনসংখ্যা ঃ ৪৭জন। উপস্থিত আছিল— গাঁওবুঢ়া, সামাজিক সদস্য, বন বিভাগৰ সদস্য আদি।

**লক্ষ্য** ঃ গাঁৱৰ ৰাইজৰ সৰ্বাংগীণ বিকাশৰ উদ্দেশ্যে আৱাসী লোকসকলৰ বৰ্তমানৰ অৱস্থা সম্পৰ্কত গঞা ৰাইজৰ মাজৰ পৰা বিভিন্ন খবৰ গ্ৰহণ কৰি বনাঞ্চল বিকাশ আৰু জীৱিকা বিকাশৰ সূত্ৰ উদ্ভাৱন কৰাটোৱেই ইয়াৰ লক্ষ্য।

**পদ্ধতিৰ ব্যৱহাৰ আৰু ইয়াৰ পৰিণতি** ঃ পদ্ধতিৰ ব্যৱহাৰ আৰু ইয়াৰ পৰিণতি তলত দিয়া ধৰণে—

সামাজিক মেপিং

সম্পত্তি আহৰণকাৰীৰ স্থান

সময়ভিত্তিক পৰ্যালোচনা

জীৱন ধাৰণৰ অৱস্থাসমূহ

ভেন চিত্ৰ

অনুসূচী ঃ ৩ত ওপৰোক্ত বিষয়বোৰৰ সম্পূৰ্ণকৈ আলোকপাত কৰা হৈছে।

**শ্ৰেণীবদ্ধকৰণ** ঃ নিম্নোক্ত বিষয়কেইটাৰ বাবে শ্ৰেণীবদ্ধকৰণ অনুশীলন চলোৱা হয়।

(১) জীৱিকা আৰু নৈপুণ্য বিকাশ (অধ্যায়-৪ত আলোচনামৰ্মে)

(২) প্ৰাৰম্ভিক কাৰ্য ব্যৱস্থাপনা (ই পি এ)

ই পি এৰ শ্ৰেণীবদ্ধকৰণ

| স্থান | গাঁৱৰ ই পি এ | বিশদ বিৱৰণ<br>অনুসূচী- ৩ত অতিৰিক্ত তথ্য দিয়া আছে | সম্ভাব্য বিত্তীয় উৎস |
|---|---|---|---|
| ১ | প্ৰেক্ষাগৃহ | সামাজিক মিটিং নিয়াৰিকৈ আয়োজনৰ বাবে | এপিএফবিচিৰ পৰা ইপিএ |
| ২ | খোৱাপানী | বৰিষুণৰ সুবিধাৰ সৈতে পানী জমা কৰা | এপিএফবিচিৰ পৰা ইপিএ |
| ৩ | ৰাস্তাৰ সংযোগ | ৪নং ৰাজাগড়ৰ পৰা ৰাজাগড় বজাৰলৈ ব্লেক টেপিং ৰাস্তা (৪ কিলোমিটাৰ) | পি এম জি এছ ৱাই/<br>পি ডব্লিউ ডি |
| ৪ | বয়ন | ব্যাপক উপভোক্তাৰ সৈতে সংগতি ৰাখি প্ৰশিক্ষণ সুবিধা থকা এটা কেন্দ্ৰ | এ পি এফ বি চি |

**জীৱিকাৰ সুযোগ** ঃ জীৱিকাৰ সুযোগবোৰ তলত চিনাক্ত কৰা হ'ল—

ই ডি চি এলেকাৰ গাঁওবাসীসকলৰ সাম্প্ৰতিক জীৱিকা আৰু তেওঁলোকৰ বাবে প্ৰয়োজনীয় দক্ষতা বিকাশ বা অগ্ৰাধিকাৰ সম্পৰ্কে পৰ্যালোচনা চলোৱা হয়। এইক্ষেত্ৰত কৃষিখণ্ড আৰু অনা-কৃষিখণ্ড হিচাপে দুটা ভাগত ভাগ কৰা হয়। এই সন্দৰ্ভত গাঁওবাসীৰ সঁহাৰি তলৰ তালিকাত দাঙি ধৰা হ'ল।

তালিকা ঃ (জ) জীৱিকাৰ সুযোগ শ্ৰেণীবদ্ধকৰণ

| প্ৰশিক্ষণ কাৰ্য আঁচনিৰ ধৰণ | অগ্ৰাধিকাৰ ভিত্তিত মূল্যাংকন | | | | |
|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ৫ |
| কৃষি সম্পৰ্কীয় | — | — | — | — | ৫ |
| উদ্যান শস্য সম্পৰ্কীয় | — | — | — | — | ৫ |
| পশুপালন সম্পৰ্কীয় | — | — | ৩ | — | — |
| হস্তশিল্প | — | — | — | — | ৫ |
| হস্ততাঁত | — | ২ | — | — | — |
| অন্যান্য (চাহ গছ ৰোপণ) | ১ | — | — | — | — |

উৎস ঃ পি আৰ এ

পি আৰ এ অনুশীলনৰ সময়ত দেখা গ'ল যে কৃষিকৰ্ম আৰু ইয়াৰ সহযোগী কৰ্ম, যেনে— মৌপালন, ৰেচম শিল্পজাতীয় প্ৰশিক্ষণ কাৰ্যসূচী হতাশাজনক বিবেচিত হৈছে। কিয়নো ই ডি চি এলেকাটো মুখ্যতঃ চাহ খেতিৰ বাবে ব্যৱহৃত আৰু নিকটৱৰ্তী অঞ্চলত Apeejay আদিৰ দৰে প্ৰসিদ্ধ কোম্পানীসমূহ আছে।

**কৃষি আৰু উদ্যান শস্য** ঃ এই সন্দৰ্ভত তালিকা ১২, ৰেকৰ্ড ২ত সবিশেষ তথ্য দাঙি ধৰা হৈছে। এই ই ডি চি এলেকাত চাহ খেতিত বাদে অন্য কৃষিজাত খেতিৰ বিশেষ প্ৰাধান্য নাই। উদ্যান শস্যৰ ক্ষেত্ৰত খুব কম পৰিমাণেহে মাটিৰ ব্যৱহাৰ হয়।

**বয়ন** ঃ তালিকা-১৩ত বয়ন উদ্যোগৰ সম্ভাৱনীয়তাৰ ওপৰত অতিৰিক্ত তথ্য আগবঢ়োৱা হৈছে।

**মূল সমস্যাসমূহ—**

(ক) দুৰ্বল বিত্তীয় অৱস্থাৰ বাবে কেঁচামাল কিনিবলৈ অপাৰগ।

(খ) আধুনিক প্ৰযুক্তি আৰু আহিলা সম্পৰ্কত জ্ঞানৰ অভাৱ।

(গ) মধ্যভোগীয়ে উৎপাদিত সামগ্ৰী বিক্ৰী কৰে।

**সুবিধাসমূহ—**

(ক) উন্নতমানৰ ডিজাইনৰ দ্বাৰা উচ্চ বা অধিক হাৰত আয় কৰিব পাৰি।

(খ) বজাৰমুখী হ'ব পাৰি।

(গ) চাহিদা বৃদ্ধি হ'ব পাৰে।

**পৰামৰ্শসমূহ—**

(ক) আধুনিক হস্ততাঁতৰ প্ৰশিক্ষণ।

(খ) ডিজাইনৰ আঁচনি গ্ৰহণ।

**পশুপালন** ঃ তালিকা ১৩ত পশুপালনৰ সুযোগ সম্পৰ্কে সবিশেষ তথ্য দিয়া হৈছে।

**মূল সমস্যাসমূহ—**

(ক) দুৰ্বল বিত্তীয় অৱস্থাৰ বাবে বজাৰৰ পৰা পশুখাদ্য ক্ৰয় কৰিবলৈ অপাৰগ।

(খ) বন্যপ্ৰাণীৰ দ্বাৰা ক্ষতিসাধন।

(গ) উপযুক্তভাৱে পশুপালন সম্পৰ্কীয় জ্ঞানৰ অভাৱ।

**সুযোগসমূহ—**

(ক) পশুপালনৰ দ্বাৰা অধিক হাৰত উপাৰ্জন সম্ভৱ।

(খ) বেমাৰ নিয়ন্ত্ৰণ, (গ) গো-ধনৰ জীৱনকাল বৃদ্ধি,

(ঘ) দুগ্ধ আৰু দুগ্ধজাত সামগ্ৰীৰ দ্বাৰা আয় বৃদ্ধি।

**পৰামৰ্শসমূহ—**

(ক) বিভিন্ন দুগ্ধজাত সামগ্ৰী উৎপাদনৰ বাবে প্ৰশিক্ষণ।

**কাঠবিহীন বনজ উৎপাদক (এন টি এফ পি)** ঃ এলেকাটোৰ সকলো গাঁও সংৰক্ষিত অঞ্চলৰ সমীপৱৰ্তী হোৱা হেতু এন টি এফ পি সংগ্ৰহৰ সুযোগ নাই।

**ঋণৰ সুবিধা** ঃ **তালিকা নং- ১৬ৰ ৰেকৰ্ড ২ৰ** জৰিয়তে বিষয়সমূহ আলোচিত হৈছে।

**মুখ্য সমস্যাসমূহ হ'ল—**

- ঋণ প্ৰদান কৰা প্ৰতিষ্ঠানৰ অভাৱ।
- ব্যক্তিগতভাৱে ঋণ দিওঁতাই উচ্চ সুদৰ হাৰ বিচাৰে।

**সুবিধাসমূহ হ'ল—**

- আধুনিক বিত্তীয় প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰা

**উপদেশকাৰী আঁচনিসমূহ হ'ল—**

- সজাগতামূলক আঁচনি লোৱা।

**কৌশলগত হস্তক্ষেপ** ঃ ওপৰত উল্লিখিত উপদেশকাৰী আঁচনিসমূহক জীৱিকা নিৰ্ধাৰণৰ উন্নয়নকাৰী আঁচনিৰ কৌশলগত হস্তক্ষেপ বুলি বৰ্ণনা কৰা হৈছে।

(১) **বয়ন আৰু চিলাই কাম** ঃ আধুনিক যন্ত্ৰ-পাতি, ডিজাইন আদিৰ প্ৰশিক্ষণ প্ৰদান কৰা

(২) **পশুপালন** ঃ গাহৰি পালন, কুকুৰা পালন

(৩) **কাঠবিহীন বনজ উৎপাদক** ঃ সুযোগ নাই

(৪) **বিশেষ নৈপুণ্য** ঃ আধুনিক প্ৰযুক্তিবিদ্যাৰ ওপৰত প্ৰশিক্ষণ, গাঁওবাসীক আধুনিক প্ৰশিক্ষণৰ যোগান ধৰা, নতুন পদাৰ্থৰ ওপৰত আলোচনা, কেঁচা সামগ্ৰীৰ ভঁৰাল স্থাপন ইত্যাদি।

(৫) **ঋণৰ সুবিধা** ঃ ঘৰৰ ওচৰতে আধুনিক আৰ্থিক প্ৰতিষ্ঠান স্থাপন কৰা।

## ৪ জীৱিকা বিকাশ পৰিকল্পনা

**জীৱিকাৰ সুযোগ বিশ্লেষণ** ঃ নিম্নোক্ত চৰ্তসমূহৰ সহায় লৈ জীৱিকাৰ সুযোগ বিশ্লেষণৰ আৰ্হি প্ৰস্তুত কৰা হৈছে।

(ক) জীৱিকাৰ সম্পদ

(খ) জীৱিকাৰ ধৰণ

(গ) সম্ভাব্য জীৱিকাৰ ওপৰত অগ্ৰাধিকাৰৰ শ্ৰেণীবদ্ধকৰণ

ৰাজাগড় ই ডি চি এলেকাত পি আৰ এ অনুশীলনৰ সময়ত জীৱিকাৰ বাস্তৱ স্থিতি সম্পৰ্কে পৰ্যালোচনা চলোৱা হয়। এই পৰ্যালোচনা আন্তঃৰাষ্ট্ৰীয় বিকাশ সম্পৰ্কীয় বিত্তীয় বিভাগৰ (ডি এফ ডি আই) দীৰ্ঘম্যাদী জীৱিকাৰ আৰ্হিৰ ভিত্তিত চলোৱা হয়। ই ডি চি এলেকাটোৰ সাম্প্ৰতিক জীৱিকা সম্পৰ্কত তলত উল্লেখ কৰা বিষয়ত স্থিতি নিৰূপণ কৰা হয়।

(ক) প্ৰাকৃতিক মূলধন

(খ) আন্তঃগাঁথনিগত মূলধন

(গ) সামাজিক মূলধন

(ঘ) মানৱ মূলধন

(ঙ) বিত্তীয় মূলধন

**প্ৰাকৃতিক মূলধন** ঃ বৰ্তমানৰ ই ডি চি বৰনদী বন্যপ্ৰাণী সংৰক্ষণ এলেকাৰ অধীনস্থ।

গাঁওবাসীয়ে চাহ খেতি আৰু পশুপালনৰ লগতে ঘৰুৱা ব্যৱহাৰৰ বাবে কুঁৱা আদি ব্যৱহাৰ কৰে। খোৱাপানীৰ বাবে পি এইচ ই ডিয়ে যোগান ধৰা পানী ব্যৱহাৰ কৰে। তেওঁলোকে বনাঞ্চলৰ পৰা পাতজাতীয় পাচলি আৰু ফলমূল সংগ্ৰহ কৰে।

(অনুসূচী-৬ তালিকা-১০-১১, আৰু এফ ডি পিৰ তালিকা ৩ত বিশদ উল্লেখ আছে।)

**আন্তঃগাঁথনিগত মূলধন** : ৰাজাগড় ই ডি চিৰ গৰিষ্ঠসংখ্যক আৱাসী চাহ খেতি আৰু তামোল খেতিৰ সৈতে জড়িত। তেওঁলোকক মধ্যম শ্ৰেণীৰ খেতিয়ক হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে।

(অনুসূচী-৬ তালিকা- ৩ত আৱাসীৰ দখলীকৃত মাটিৰ তথ্য দিয়া হৈছে।)

গাঁওখনত মুঠ আৱাসীৰ ভিতৰত ১৩১টা পৰিয়ালৰ কেঁচা ঘৰ আৰু ২৮৮টা পৰিয়ালৰ আধা পকী ঘৰ আৰু বাকী ২৩৬টা পৰিয়ালৰ পকী ঘৰ আছে। আৱাসীসকলৰ ইন্ধন ব্যয়ৰ হিচাপ অনুযায়ী অধিকসংখ্যকে ঘৰুৱা তথা অন্যান্য ব্যৱহাৰৰ বাবে খৰি আৰু কেৰাচিনৰ ওপৰত নিৰ্ভৰশীল। আৱাসী এলেকাটোত ৫খন নিম্ন প্ৰাথমিক বিদ্যালয় আৰু ৪টা অংগনৱাড়ী কেন্দ্ৰ আছে। জলসম্পদৰ ক্ষেত্ৰত অঞ্চলটোত পি এইচ ই ডিৰ ১০টা খোৱাপানী যোগান কেন্দ্ৰ আছে।

**সামাজিক মূলধন** : ই ডি চিৰ কাম-কাজ সম্পৰ্কে গাঁওবাসীয়ে অজ্ঞতাৰ বাবে বিশেষভাৱে জড়িত হ'ব পৰা নাই। অঞ্চলটোত প্ৰায় ৫০টা আত্মসহায়ক গোট আৰু এটা যুৱক সংঘ আছে। গাঁওসমূহত কোনো সমূহীয়া প্ৰেক্ষাগৃহ নাই।

**মানৱ মূলধন** : ই ডি চি এলেকাটোৰ মুঠ জনসংখ্যাৰ ভিতৰত ৩৬.১ শতাংশ শিক্ষিত। আনহাতে প্ৰায় ৬৩.৯ শতাংশ লোক অশিক্ষিত। ই ডি চি এলেকাটোৰ প্ৰায় বেছিভাগ লোকে (প্ৰায় ৫৭ শতাংশ) প্ৰাথমিক পৰ্যায়ৰ শিক্ষা আহৰণ কৰিছে। ৩৮ শতাংশ লোকে উচ্চ শিক্ষা গ্ৰহণ কৰিছে যদিও বহু কমসংখ্যক লোকেহে উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্যায়ৰ শিক্ষা লাভ কৰিছে।

**বিত্তীয় মূলধন** : ই ডি চি এলেকাটোত কোনো ধৰণৰ চৰকাৰী বেংক-বিত্তীয় প্ৰতিষ্ঠান নাই। ই ডি চি এলেকাৰ পৰা ১২ কিঃমিঃ দূৰত্বত ডিমাকুছিত এটা বেংক আছে। অৱশ্যে গাঁওবাসীয়ে অনানুষ্ঠানিক ঋণদাতা, আত্মসহায়ক গোট অথবা সম্পৰ্কীয়ৰ পৰা ঋণ আদি লয়।

অঞ্চলটোৰ প্ৰায় ৬০ শতাংশ লোকৰে বাণিজ্যিক বেংকত একাউণ্ট আছে যদিও তেওঁলোকে বিত্তীয় সা-সুবিধাৰ বিষয়ে অৱগত নহয়।

**জীৱিকাৰ ধৰণ** : ৰাজাগড় ই ডি চি এলেকাৰ জীৱিকা সম্পৰ্কীয় কাম-কাজক নিম্নোক্ত চৰ্তসমূহৰ ভিত্তিত চিনাক্ত কৰা হৈছে।

(ক) ই ডি চি এলেকাৰ মুঠ আয়ৰ ভিতৰত জীৱিকাৰ অৱদান।

(খ) বিশেষ শ্ৰেণীৰ জীৱিকাৰে আয় কৰা লোকৰ সংখ্যা শতাংশৰ ভিত্তিত।

(গ) সম্ভাব্য জীৱিকাৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত শ্ৰেণীবদ্ধকৰণ।

**ই ডি চি এলেকাৰ মুঠ আয়ৰ ভিতৰত জীৱিকাৰ অৱদান** :

(ক) চাহ খেতি
(খ) তামোল খেতি
(গ) দৈনিক মজুৰি
(ঘ) পশুপালন
(ঙ) চাকৰি
(চ) ক্ষুদ্ৰ ব্যৱসায়

**বিশেষ শ্ৰেণীৰ জীৱিকাৰে আয় কৰা লোকৰ সংখ্যা শতাংশৰ ভিত্তিত** ঃ গাঁওখনত চলোৱা পি আৰ এ অনুশীলন আৰু আৱাসৰ সমীক্ষা অনুসৰি ওপৰত উল্লেখিত জীৱিকাত গাঁওবাসীয়ে বছৰটোত জড়িত হয়।

প্ৰাথমিক জীৱিকা ঃ চাহ খেতি, দিন মজুৰি

বিকল্প জীৱিকা ঃ তামোল খেতি, পশুপালন, ক্ষুদ্ৰ ব্যৱসায়

কিছুমান ব্যক্তি চাকৰি সূত্ৰেও ব্যস্ত।

**সম্ভাব্য জীৱিকাৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত শ্ৰেণীবদ্ধকৰণ** ঃ অগ্ৰধিকাৰ ভিত্তিত জীৱিকাৰ শ্ৰেণীবদ্ধকৰণ আৰু দক্ষতা বিকাশ

(১) বয়ন

(২) পশুপালন


(৩) দিন মজুৰি

**অনুসূচীৰ তালিকা**



| অনুসূচী | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | **মেপ** | ১৭-১৯ |
| | স্থানীয় মেপ | ১৭ |
| | গাঁৱৰ মেপ | ১৮ |
| | সম্পদৰ উৎসৰ মেপ | ১৯ |
| ২ | **গাঁৱৰ ব্যৱহৃত মাটিৰ মেপ (জি আই এছ)** | ২০ |
| ৩ | **পি আৰ এ অনুশীলন** | ২১-৩০ |
| | সামাজিক মেপ নিৰ্মাণ | ২১-২৩ |
| | সম্পদশালীৰ মেপ নিৰ্মাণ | ২৪-২৫ |
| | নিৰ্দিষ্ট সময়ৰ ঘটনাৱলীৰ পৰ্যালোচনা | ২৫ |
| | বতৰকেন্দ্ৰিক জীৱিকা | ২৬-২৭ |
| | ভেন চিত্ৰ | ২৮ |
| | চপাটি চিত্ৰ | ২৯ |
| | পি আৰ এ— সম্ভাব্য জীৱিকা | ৩০ |
| ৪ | **ছবি** | ৩১ |
| ৫ | ই ডি চিৰ কাৰ্যবাহী সদস্যৰ তালিকা | ৩২ |
| | ই ডি চিৰ পঞ্জীয়ন পত্ৰ | ৩৩ |
| ৬ | দক্ষতা বিকাশ আঁচনিৰ বাবে অংশগ্ৰহণকাৰীৰ তালিকা | ৩৪ |
| ৭ | পূৰ কৰা প্ৰ-পত্ৰৰ তালিকা (প্ৰ-পত্ৰ ১-৪লৈ) তালিকা ১-১৬লৈ | ৩৫-৪১ |

অনুসূচী- ১


১. স্থানীয় মানচিত্র



২. গাঁৱৰ মানচিত্ৰ



Village Map
N
W
E
S
POND
L.P. SCHOOL
TEMPLE
CLUB
M.E. SCHOOL
CHURCH
SSB CAMP
HOUSES
ROAD
Signatures:
President/Secretary
Rajagarh Eco- Dev. Committee
Rajagarh

## ৩. উৎসৰ মানচিত্ৰ


Resource Map
N
W
E
S
TEA PLANTATION
FOREST AREA
POND
ROAD
Signatures:

## অনুসূচী- ২

## ব্যৱহৃত মাটিৰ মানচিত্ৰ (জি আই এছ)




ource: Google earth Imagery

Prepared by: Indian Institute of Entrepreneurshi

# অনুসূচী-৩

## পি আৰ এ কাৰ্য প্ৰণালী

## গ্ৰামীণ অংশগ্ৰহণকাৰীৰে বুজাবুজিৰ বাবে স্থান আৰু সময়

| অংশগ্ৰহণকাৰীৰ সংখ্যা | ৪৭ |
|---|---|
| সময় | পুৱা ১০.৩০ বজা, ২৮ এপ্ৰিল ২০১৭ |
| স্থান | ৪নং ৰাজাগড় নৱজ্যোতি মিলন সংঘ |

**তালিকা ৩.১**— ৰাজাগড় ই ডি চিৰ অন্তৰ্গত গাঁৱৰ তথ্য

| ক্ৰ. নং | গাঁৱৰ নাম | পৰিয়ালৰ সংখ্যা | জনসংখ্যা | | |
|---|---|---|---|---|---|
| | | | মুঠ | পুৰুষ | মহিলা |
| ১ | ৰাজাগড় (১, ২, ৩, ৪) | ৬৫৫ | ৩৩২২ | ১৬২৫ | ১৬৯৭ |
| | মুঠ | ৬৫৫ | ৩৩২২ | ১৬২৫ | ১৬৯৭ |

উৎস ঃ ক্ষেত্ৰ এলেকা সমীক্ষা

**তালিকা ৩.২**— ৰাজাগড় ই ডি চিত শিক্ষাৰ মান

| অশিক্ষিত | প্ৰাথমিক | মাধ্যমিক | উচ্চ মাধ্যমিক | উচ্চতৰ মাধ্যমিক | স্নাতক | স্নাতকোত্তৰ | মুঠ |
|---|---|---|---|---|---|---|---|
| ২১২২ | ৬৮৮ | ২৮০ | ১৫৩ | ৫০ | ২৫ | ৪ | ১২০০ |

উৎস ঃ পি আৰ এ অনুশীলন

**তালিকা ৩.৩**— ৰাজাগড় ই ডি চিত উপাৰ্জনৰ শ্ৰেণীবদ্ধকৰণ

| উপাৰ্জনৰ শ্ৰেণী (টকাৰ হিচাপত) বছৰি | পৰিয়ালৰ সংখ্যা |
|---|---|
| ৫০,০০০-১,০০,০০০ | ৩৩ |
| ১,৫০,০০০-২,০০,০০০ | ১২ |
| ২,০০,০০০-২,৫০,০০০ | ২৭০ |
| ২,৫০,০০০-৩,৫০,০০০ | ১৫৪ |
| ৩,৫০,০০০-৪,০০,০০০ | ১২০ |
| ৪,০০,০০০-৪,৫০,০০০ | ৪ |
| ৪,৫০,০০০-৫,০০,০০০ | ৪ |
| > ৫,০০,০০০ | ৬ |

পি আৰ এ অনুশীলনৰ বাবে ব্যৱহৃত বিভিন্ন আহিলাবোৰ—

(ক) সামাজিক মেপিং
(খ) সম্পত্তি আহৰণকাৰীৰ স্থান
(গ) সাময়িক ঘটনাৰ পৰ্যালোচনা
(ঘ) বতৰভিত্তিক কৰ্মৰ পৰ্যালোচনা
(ঙ) চপাটি চিত্ৰ

## ৩.১ সামাজিক মানচিত্ৰ


ৰাজাগড় ই ডি চিৰ অন্তৰ্গত আৱাসীয় এলেকাত থকা সা-সুবিধা, যেনে— বিদ্যালয়ৰ সংখ্যা, আৱাস নিৰ্মাণৰ পদ্ধতি, সামাজিক আন্তঃগাঁথনি আৰু ধৰ্মীয় বিশ্বাস আদিৰ প্ৰতিচ্ছবি দাঙি ধৰিবলৈ এই মানচিত্ৰ ব্যৱহাৰ কৰা হয়।

গাঁওবাসীয়ে-এই মানচিত্র প্রস্তুতকৰণ প্ৰক্ৰিয়াত অতি সক্ৰিয়তাৰে আৰু উৎসাহেৰে অংশগ্ৰহণ কৰে।
প্ৰথমে গাঁওবাসীক অঞ্চলটোৰ মূল পথসমূহ অংকন কৰিবলৈ দি তেওঁলোকৰ নিজৰ আৱাস, গাঁৱত থকা সামাজিক অনুষ্ঠান আৰু চৰকাৰী কাৰ্যালয় আদি যথাযথ স্থানত চিহ্নিত কৰিবলৈ নিৰ্দেশ দিয়া হয়। এইক্ষেত্ৰত পি আৰ এ সদস্যসকলে অংশগ্ৰহণকাৰী গাঁওবাসীক সহযোগ কৰে। শিবিৰটোত এই অনুশীলন প্ৰক্ৰিয়াত গাঁওবাসীয়ে নিজৰ নিজৰ আৱাসসমূহ চিহ্নিত কৰিবলৈ সক্ষম হয়।

**তালিকা ৩.২—** গাঁৱৰ তথ্য

| **সামাজিক তথ্য** | **গাঁৱৰ নাম** | **ৰাজাগড়** |
|---|---|---|
| | মুঠ জনসংখ্যা | ৩৩২২জন |
| | পুৰুষ | ১৬২৫জন |
| | মহিলা | ১৬৯৭গৰাকী |
| | মুঠ আৱাস | ৬৫৫টা |
| | পকীঘৰৰ সংখ্যা | ২৩৬টা |
| | আধা পকী ঘৰৰ সংখ্যা | ২৮৮টা |
| | কেঁচা ঘৰ | ১৩১টা |
| | দলং | নাই |
| | জান | নাই |
| | নদী | নাই |
| | জনস্বাস্থ্য কাৰিকৰী ব্যৱস্থা | নাই |
| | প্ৰেক্ষাগৃহ | নাই |
| | সমূহায়া হেণ্ড পাম্প | নাই |
| | কুঁৱা | ২টা |
| | মথাউৰি | নাই |
| | বান্ধ | ১টা |
| | খেলপথাৰ বনাম চৰণীয়া পথাৰ | নাই |

## ৰাজাগড় ই ডি চিৰ সামাজিক মেপ



## সামাজিক মেপত পোৱা তথ্য

- সামাজিক মানচিত্র প্রস্তুত কৰা সময়ত অংশগ্রহণকাৰীসকলে অঞ্চলটোৰ অটাইকেইটা (৬৫৫টা) পৰিয়ালৰ আৱাস চিহ্নিত কৰে। ইয়াৰ ভিতৰত ১৩১টা আৱাস কেঁচা, ২৮৮টা আধা পকী আৰু অৱশিষ্ট ২৩৬টা পকী ঘৰ হিচাপে চিহ্নিত হয়। এলেকাটোত ২৪৬টা পৰিয়াল দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ। ইয়াৰে ২৪ শতাংশ পৰিয়ালে জবকাৰ্ড লাভ কৰিছে। আৱাসী পৰিয়ালৰ ব্যক্তিগত ঘৰসমূহৰ উপৰি গুৰুত্বপূৰ্ণ অনুষ্ঠান-প্ৰতিষ্ঠান, যেনে— নিম্ন প্ৰাথমিক বিদ্যালয়, নামঘৰ, ডাকঘৰ, গিৰ্জা, অংগনৱাড়ী কেন্দ্ৰ, মন্দিৰ আদি মানচিত্ৰত অন্তৰ্ভুক্ত কৰা হয়।
- গাঁওবাসীৰ বাবে খোৱাপানীৰ মুখ্য উৎস হৈছে জলসিঞ্চন যোগাযোগ ব্যৱস্থা। গাঁওবাসীয়ে অন্যান্য ব্যৱহাৰৰ বাবেও জলসিঞ্চনৰ পানী ব্যৱহাৰ কৰে। অঞ্চলটোত শৈক্ষিক ব্যৱস্থা সন্তোষজনক। অঞ্চলটোত ৪খন অংগনৱাড়ী বিদ্যালয় ৫খন নিম্ন প্ৰাথমিক বিদ্যালয়, এখন মজলীয়া বিদ্যালয় আছে। উচ্চ শিক্ষা আৰু মহাবিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ বাবে গাঁওবাসীয়ে গাঁও এলেকাৰ পৰা বাহিৰলৈ যাব লগা হয়।

**দেখা গৈছে যে—**

গাঁৰৰ কেইটামান পৰিয়ালৰ ৰন্ধন গেছৰ সংযোগ থকাত বাদে প্ৰায়ভাগ পৰিয়ালেই ৰন্ধন কাৰ্যৰ বাবে খৰি ব্যৱহাৰ কৰে। দৈনন্দিন জীৱিকাৰ বাবে গাঁওবাসীয়ে বনজ সম্পদৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল নহয়। গাঁওসমূহত বিদ্যুৎ সংযোগ আছে যদিও বিদ্যুৎ যোগান তেনেই সীমিত। কিয়নো দিনটোৰ প্ৰায় ৪-৫ ঘণ্টাৰো অধিক সময় বিদ্যুৎ যোগান ব্যাহত হৈ থাকে। গাঁওবাসীয়ে সাপ্তাহিক বজাৰ আদিৰ বাবে ১২ কিলোমিটাৰ দূৰত অৱস্থিত ডিমাকুছি লৈ যাব লগা হয়। এলেকাটো সামাজিক নিৰাপত্তাৰ বেৰ নথকা হেতু নিকটৱৰ্তী ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বন্যপ্ৰাণীয়ে কৃষি আৰু পশুধনৰ বিস্তৰ ক্ষতি সাধন কৰে। প্ৰধান প্ৰতিষ্ঠান, যেনে— উচ্চতৰ মাধ্যমিক বিদ্যালয়, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, বেংক আদি ১২ কিলোমিটাৰ দূৰত্বত ডিমাকুছিত অৱস্থিত। পশু খাদ্যৰ বাবে গাঁওবাসীয়ে শস্যৰ অৱশিষ্ট, ঘৰুৱা অৱশিষ্ট, ঘাঁহ আদিৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল।

## ৩.২ সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ

সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ বা আৱাসী লোকৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়টোৰে এলেকাটোৰ জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থাটোৰ পৰ্যালোচনা কৰাৰ লগতে চিহ্নিতও কৰিছে। সমীক্ষকসকলক এইক্ষেত্ৰত প্ৰকল্পৰ পৰা লাভান্বিত হ'ব পৰা ব্যৱস্থাৰে আৰ্থ-সামাজিক স্থিতিৰ ওপৰত সন্তুষ্টি প্ৰদান কৰাৰ লগতে স্থানীয় লোকসকলৰ এই সম্পৰ্কীয় ধাৰণা আৰু তেওঁলোকক ইংগিত প্ৰদানত সহায় কৰিছে।

তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ ওপৰত ভিত্তি কৰি সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ প্ৰক্ৰিয়া চলোৱা হয়।

(ক) ভূমিৰ স্বত্ব

(খ) বৃত্তি

গাঁওখনৰ ৬.৯ শতাংশ লোকেই দুখীয়া শ্ৰেণীৰ আৰু প্ৰায় ৯১.৬ শতাংশ লোকহে মধ্যম শ্ৰেণীৰ। ইয়াৰ বিপৰীতে কেৱল মাত্ৰ ১.৫ শতাংশ লোক ধনী শ্ৰেণীৰ। দুখীয়া লোকসকলে দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰে। একেদৰে কেতিয়াবা তেওঁলোকে নিজৰ মাটিডৰা আনক আধি হিচাপে চহাব দিয়ে। এই পৰিয়ালসমূহৰো কৃষিভূমি আছে।




চিত্ৰ ৩.১ ঃ সম্পত্তিৰ শ্ৰেণীবদ্ধকৰণ


## ৩.৩ ঘটনাপ্ৰবাহৰ পৰ্যালোচনা

এলেকাটোত বিগত সময়ছোৱাত ঘটি যোৱা গুৰুত্বপূৰ্ণ তথা ঐতিহাসিক ঘটনা সন্দৰ্ভত সমীক্ষকৰ দলে ঘটনাপ্ৰবাহৰ ওপৰত এক পৰ্যালোচনা চলায়। তেওঁলোকে গাঁৱৰ গাঁওবুঢ়া, বয়োজ্যেষ্ঠ নাগৰিক তথা ডেকাচামৰ সৈতে সংঘটিত ঘটনাসমূহৰ ওপৰত আলোচনা কৰে কেনেদৰে তেওঁলোকে সেই পৰিস্থিতিসমূহৰ সন্মুখীন হৈছিল তথা গাঁওখনৰ উন্নয়নত অগ্ৰসৰ হৈছিল ইত্যাদি সম্পৰ্কত। সেই আলোচনাৰ ভিত্তিত উল্লেখিত ঘটনাসমূহৰ তালিকা তলত দাঙি ধৰা হ'ল—

**তালিকা ৩.৩—** ঘটনাপ্ৰবাহৰ পৰ্যালোচনা

| বছৰ | ঘটনা | ধৰণ |
|---|---|---|
| ১৯৫০ | গাঁৱৰ ৰাস্তা নিৰ্মাণ | যোগাত্মক |
| ১৯৬০ | প্ৰথম ৰাজহুৱা পুখুৰী খন্দা | যোগাত্মক |
| ১৯৭০ | প্ৰথম নামঘৰ স্থাপন | যোগাত্মক |
| ১৯৮৩ | গোষ্ঠী সংঘৰ্ষ | ঋণাত্মক |
| ১৯৯০ | হাতীৰ আক্ৰমণ | ঋণাত্মক |
| ১৯৯১ | প্ৰথম চৰকাৰী চাকৰিয়াল | প্ৰাপ্তি |

## ৩.৪ বতৰভিত্তিক জীৱিকাৰ মানচিত্ৰ




চিত্ৰ ৩.২ ঃ ৰাজাগড় ই ডি চিৰ বতৰভিত্তিক জীৱিকাৰ মানচিত্ৰ

স্থানীয় লোকসকলে প্ৰকৃতিক পৰিৱেশ আৰু বতৰৰ ভিত্তিত পৰম্পৰাগতভাৱে চলাই অহা জীৱিকা-জীৱন ধাৰণ ব্যৱস্থাটোৱে জনসমূদায়টোত চলি অহা পৰম্পৰা আৰু নিৰ্দিষ্ট সময়ৰ স্পৰ্শকাতৰ স্থিতিসমূহৰ ওপৰত তথ্য আহৰণৰ অন্যতম আহিলা। এই সন্দৰ্ভত চলোৱা আলোচনাত তথ্যৰ সত্যতা নিৰূপণৰ বাবে গাঁওবাসীৰ পৰম্পৰাগত কেলেণ্ডাৰ ব্যৱহাৰ কৰা হয়। এই কেলেণ্ডাৰসমূহ প্ৰস্তুত কৰোঁতে অগ্ৰাধিকাৰ ভিত্তিত শিল, বীজ আদিৰ ব্যৱহাৰেৰে মানচিত্ৰত চিহ্নিত কৰা হয়।

আনহাতে, বতৰৰ কাম-কাজ আদি বুজাবৰ বাবে সাধাৰণ ৰেখাচিত্ৰও প্ৰস্তুত কৰিব পৰা যায়। বছৰটোৰ প্ৰতিটো বতৰৰ সামগ্ৰিক কৰ্ম আঁচনি ইয়াত দেখুৱাব পৰা যায়। বতৰৰ বিভিন্ন স্থিতি, যেনে— বৰষুণ, শস্যৰ পৰিক্ৰমা, শ্ৰমিকৰ চাহিদা, মজুৰিপ্ৰাপ্ত শ্ৰমিকৰ অৱস্থিতি, প্ৰব্ৰজন, মানুহৰ ৰোগ, ব্যয়ৰ পৰিমাণ আদিৰ স্থিতিও ৰেখাচিত্ৰত দেখুৱাব পৰি।

লগতে গুৰুত্বপূৰ্ণ সময়, যেনে— উৎসৱ-পাৰ্বণ আদিও ৰেখাংকনেৰে বুজাব পৰি।


বতৰভিত্তিক মানচিত্ৰই প্ৰকৃততে বিভিন্ন শস্যৰ খেতিৰ বিৰৰণ দাঙি ধৰে। আমি এইক্ষেত্ৰত ধানখেতি আৰু ইয়াৰ বীজ সিঁচা, শস্য সামৰা আৰু শস্য চপোৱা আদি বিভিন্ন তথ্যক সামৰি লৈছোঁ। দেখা গৈছে যে গাঁওখনত মূল কৃষিভিত্তিক খেতিৰ ভিতৰত চাহ খেতিয়েই অন্যতম। লোকসকলে চাহ খেতিৰ উপৰি শাক-পাচলিৰ খেতিও কৰে। গাঁৱৰ অধিকাংশ লোকে তামোলৰ খেতিও কৰে। ই ডি চি এলেকাটোত আন জীৱিকাৰ মূল উৎসসমূহৰ ভিতৰত পশু পালন (গাহৰি আৰু হাঁহ-কুকুৰা), দোকান, বয়ন শিল্প, দৈনিক মজুৰি, মিস্ত্ৰী, কাপোৰ চিলাই আদি অন্যতম যদিও ই বতৰভিত্তিক নহয়।

**তালিকা ৩.৪—** ৰাজাগড় ই ডি চিৰ বতৰভিত্তিক শস্য চপোৱা কৰ্মৰ তালিকা


**তালিকা ৩.৪—** বতৰভিত্তিক খেতি

<table>
<tr><th>শ্ৰেণী</th><th rowspan="2">ধৰণ</th><th colspan="3">কৰ্মৰ সময়সূচী</th></tr>
<tr><td rowspan="4">কৃষি</td><th>বীজ/বৃক্ষৰোপণ</th><th>শস্য চপোৱা</th><th>শস্য উঠোৱা</th></tr>
<tr><td>চাহ</td><td>—</td><td>—</td><td>এপ্ৰিল-নৱেম্বৰ</td></tr>
<tr><td>শাক-পাচলি</td><td>নৱেম্বৰ-ডিচেম্বৰ</td><td>ফেব্ৰুৱাৰী-মাৰ্চ</td><td>—</td></tr>
<tr><td>তামোল</td><td>—</td><td>—</td><td>ফেব্ৰুৱাৰী-মে’</td></tr>
<tr><td rowspan="5">অনা-কৃষি</td><td>দৈনিক হাজিৰাৰে উপাৰ্জন</td><td colspan="3" rowspan="5">বছৰজোৰা</td></tr>
<tr><td>পশুধন</td></tr>
<tr><td>হস্ততাঁত</td></tr>
<tr><td>পকা মিস্ত্ৰী</td></tr>
<tr><td>কাঠমিস্ত্ৰী</td></tr>
</table>

## ৩.৫ ভেন চিত্র


Venn diagram
FOREST BEAT OFFICE
BANK
BUS STAND
CHURCH
TEMPLE
M.E. SCHOOL
RAJAGARH EDC
RAILWAY STATION
POLICE STATION
POST OFFICE
VCDC
L.P. SCHOOL
DISTRICT HEAD QUARTER
MARKET
PRIMARY HEALTH CENTRE
Signatures:

## ৩.৬ চপাটি



Chapatti Diagram
RAILWAY STATION
40 KM
BANK
8 KM
DISTRICT HEAD QUARTER
60 KM
FOREST BEAT OFFICE
5 KM
RAJAGARH EDC
PRIMARY HEALTH CENTRE
5 KM
POLICE STATION
2 KM
MARKET
12 KM
BUS STATION
5 KM
Signatures:

## পি আৰ এ শ্ৰেণীবদ্ধকৰণ

**Priority Ranking of Entry Point Activity**

| Entry Point Activities | | Drinking Water A | Road B | Electricity C | Community Hall D | Sanitation E | Education F | Handloom G | Irrigation H | Veterinary I | Hospital J | Market Shed K | Marks | Rank |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| Drinking Water | A | x | A | A | D | A | A | A | A | A | A | A | 9 | 2nd |
| Road | B | | x | B | D | B | B | B | G | B | B | B | 8 | 3rd |
| Electricity | C | | | x | D | E | F | G | C | C | C | C | 4 | 5th |
| Community Hall | D | | | | x | D | D | D | D | D | D | D | 10 | 1st |
| Sanitation | E | | | | | x | F | G | E | I | E | K | 4 | 6th |
| Education | F | | | | | | x | G | H | F | J | K | 2 | 8th |
| Handloom | G | | | | | | | x | G | G | G | G | 6 | 4th |
| Irrigation | H | | | | | | | | x | H | H | K | 3 | 7th |
| Veterinary | I | | | | | | | | | x | I | I | 3 | 7th |
| Hospital | J | | | | | | | | | | x | J | 2 | 8th |
| Market Shed | K | | | | | | | | | | | x | 1 | 9th |

**Signatures:**

Nil Raton Roy
President Rajagarh
Chandan ...
Ranjan Saikia
Basanti Saikia
T. Hazarika
Namita Saikia
Bhaben Kalita
Minu Kalita
Dhiraj Bora
Pankaj Kalita

President/Secretary
Rajagad... Dev Committee

# অনুসূচী-৪ ঃ ফটো



ৰাজাগড় ই ডি চিত সজাগতা সভা



পি আৰ এ অনুশীলনত গাঁৱৰ মানচিত্ৰ অংকন

# অনুসূচী-৫

## ই ডি চিৰ কাৰ্যবাহী সদস্যৰ তালিকা

| ক্ৰমিক নং | নাম | পদবী | লিংগ |
|---|---|---|---|
| ১ | নীলৰতন ৰয় | সভাপতি | পুৰুষ |
| ২ | থুংৰিছা বড়ো | সদস্য সচিব | পুৰুষ |
| ৩ | চন্দন ডেকা | সদস্য | পুৰুষ |
| ৪ | উইলিয়ামছন মাৰাক | সদস্য | পুৰুষ |
| ৫ | পৰশুৰাম কৈৰালা | সদস্য | পুৰুষ |
| ৬ | কৃষ্ণ অধিকাৰী | সদস্য | পুৰুষ |
| ৭ | ভাগ্যৰাণী বড়ো | সদস্য | মহিলা |
| ৮ | টিকামায়া উপ্রেটি | সদস্য | মহিলা |
| ৯ | তৰুলতা হাজৰিকা | সদস্য | মহিলা |

## ৰাজাগড় ই ডি চিৰ পঞ্জীয়ন-পত্ৰ

# GOVT. OF ASSAM

**BODOLAND TERRITORIAL COUNCIL**
**OFFICE OF THE FIELD DIRECTOR, MANAS TIGER PROJECT**
**Barpeta Road- 781315, Assam.**

**Registration No. MTP/EDC/20, dated *1st March' 2016***

*This is to certify that **"RAJAGARH ECO-DEVELOPMENT COMMITTEE"** under Dhansiri Forest Division, Barnadi Wildlife Sanctuary, Undalguri is Registered with the Office of the Field Director, Manas Tiger Project, Barpeta Road, Assam on this day of 1st March' 2016 signed under my hand and seal.*

*The Registration needs renewal annually.*

(H.K. Sharma, IFS)
Field Director, Manas Tiger Project
Barpeta Road, Assam.

Field Director, Manas Tiger Project
Barpeta Road, Assam

Place: Barpeta Road.

Date: 01-03-2016

## দক্ষতা বিকাশ আঁচনিৰ বাবে অংশগ্ৰহণকাৰীৰ তালিকা

**Participants List of the Rajagarh EDC for the Skill Development Training on Weaving and Tailoring**

| Sl. No | Name of the Participants | Age | Sex |
|---|---|---|---|
| 1 | Janoki Devi | 18 | F |
| 2 | Sova Devi | 18 | F |
| 3 | Mamata Das | 20 | F |
| 4 | Panchami Biswas | 18 | F |
| 5 | ManjuKoirala | 18 | F |
| 6 | Anita Upreti | 21 | F |
| 7 | Sarala Deka | 22 | F |
| 8 | GayatriDeka | 20 | F |
| 9 | Narmada Kalita | 21 | F |
| 10 | Uma Upreti | 22 | F |
| 11 | Manisha Koirala | 20 | F |
| 12 | NamitaSaikia | 23 | F |
| 13 | HimashriDeka | 20 | F |
| 14 | TarulataHajarika | 24 | F |
| 15 | JanmoniKalita | 19 | F |
| 16 | ChitraKalita | 21 | F |
| 17 | Bina Kalita | 26 | F |
| 18 | KabitaDeka | 24 | F |
| 19 | ArpanaMajumdar | 20 | F |
| 20 | AnuDeka | 21 | F |
| 21 | AnamikaBaruah | 20 | F |
| 22 | Jamuna Das | 20 | F |

Signature & Seal of the D. F. O
Divisional Forest Officer
Dhansiri Forest Division
Udalguri, BTC

Signature & Seal of the President
Nil Ratan Roy
President/Secretary
Rajagarh Eco- Dev. Committee
Rajagarh

## অনুসূচী-৬ (ৰেকৰ্ড-১)

## তালিকা নং ১ ঃ গাঁৱৰ প্ৰাথমিক তথ্য

**তালিকা নং ১ ঃ ই ডি চিৰ প্ৰাথমিক তথ্য**

| | |
|---|---|
| **ই ডি চিৰ নাম** | ৰাজাগড় |
| **প্ৰতিষ্ঠাৰ বছৰ** | ২০১৬ |
| **কাৰ্যবাহী কমিটীৰ সদস্য সংখ্যা** | ৯ |
| **সভাপতিৰ নাম** | নীলৰতন ৰয় |
| **সম্পাদকৰ নাম** | থুংৰিছা বড়ো |
| **ভি ডি এফত জমা ধন** | — |
| **অংশগ্ৰহণ মাচুল প্ৰতি পৰিয়াল/ব্যক্তি** | — |
| **সামাজিক বেৰৰ ব্যৱহাৰ (আছে/নাই)** | নাই |
| **বিশেষ প্ৰাপ্তিৰ বাবে মন্তব্য** | — |
| **আৰ এফ অ'ৰ দ্বাৰা সফলতাৰ মাপ (%)** | — |

## তালিকা নং ২ ঃ প্ৰতি গাঁৱৰ জনসংখ্যাৰ তথ্য

**তালিকা নং ২ ঃ** প্ৰকল্প এলেকাত জনগাঁথনিৰ বিন্যাস

| গাঁৱৰ নাম | ঘৰৰ সংখ্যা | এছ টি | | | এছ চি | | | অ' বি চি | | | সাধাৰণ | | | লিংগৰ স্থিতি (প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে) | (গড় সংখ্যা প্ৰতি পৰিয়াল) |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ | পুৰুষ | মহিলা | মুঠ | | |
| ১নং ৰাজাগড় | ৬০ | ৭ | ৮ | ১৫ | ১২১ | ১১৭ | ২৩৮ | ৬ | ৪ | ১০ | ৩ | ২ | ৫ | ৯৫৬ | ৫ |
| ২নং ৰাজাগড় | ৩০৫ | ৫৫ | ৪৫ | ১০০ | ৩৬১ | ৩৭১ | ৭৩২ | ৮৯ | ৬১ | ১৫০ | ২৫৩ | ২৯৭ | ৫৫০ | ১০২১ | ৫ |
| ৩নং ৰাজাগড় | ৭৫ | ১৯০ | ১৭৫ | ৩৬৫ | ২৩ | ২৭ | ৫০ | — | — | — | ১৭ | ১৩ | ৩০ | ৯৩৫ | ৬ |
| ৪নং ৰাজাগড় | ২১৫ | ১০ | ১২ | ২২ | ১২৫ | ১৫০ | ২৭৫ | ৫৫ | ৬০ | ১১৫ | ৩১০ | ৩৫৫ | ৬৫৫ | ১১৫৪ | ৫ |
| মুঠ | ৬৫৫ | ২৬২ | ২৪০ | ৫০২ | ৬৩০ | ৬৬৫ | ১২৯৫ | ১৫০ | ১২৫ | ২৭৫ | ৫৮৩ | ৬৬৭ | ১২৪০ | ১০৪৪ | ৫ |

**উৎস ঃ** ক্ষেত্ৰ এলেকাৰ সমীক্ষা প্ৰতিবেদন

## তালিকা- ৩ ঃ মাটিৰ স্বত্বাধিকাৰৰ ভিত্তিত কৃষকৰ শ্ৰেণী

**তালিকা নং ৩ ঃ** গাঁও ভিত্তিত মাটিৰ স্বত্বাধিকাৰৰ ওপৰত নিৰ্ভৰ কৰি কৃষকৰ শ্ৰেণীবদ্ধকৰণ

| গাঁৱৰ নাম | মাটিৰ স্বত্বাধিকাৰ ভিত্তিত কৃষকৰ শ্ৰেণী | | | | |
|---|---|---|---|---|---|
| | ডাঙৰ খেতিয়ক > ১০ হেক্টৰ | ক্ষুদ্ৰ খেতিয়ক ২ৰ পৰা ১০ হেক্টৰ | মধ্যমীয়া সাধাৰণ খেতিয়ক (প্ৰতি পৰিয়াল) < ২ হেক্টৰ | ভূমিহাৰা | মুঠ |
| ৰাজাগড় (১, ২, ৩, ৪) | ১০ | ২৮০ | ৩২০ | ৪৫ | ৬৫৫ |
| মুঠ | ১০ | ২৮০ | ৩২০ | ৪৫ | ৬৫৫ |

## তালিকা- ৪ ঃ পশুধনৰ সংখ্যা

তালিকা নং ৪ ঃ ই ডি চি এলেকাত পশুধনৰ সংখ্যা

| ক্ৰমিক নং | গাঁৱৰ নাম | গাঁও ভিত্তিত পশুধন | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| | | গাইগৰু | ম'হ | ছাগলী | হাঁহ | কুকুৰা | পাৰ | গাহৰি | মুঠ |
| ১ | ৰাজাগড় | ৭৫০ | — | ১৪৫০ | ৮২০ | ৪৩০০ | ৫০০ | ১২৫ | ৭৪৪৫ |
| | মুঠ | ৭৫০ | — | ১৪৫০ | ৮২০ | ৪৩০০ | ৫০০ | ১২৫ | ৭৪৪৫ |

## তালিকা- ৫ ঃ গাঁৱৰ আন্তঃগাঁথনি

তালিকা নং ৫ ঃ গাঁৱৰ আন্তঃগাঁথনি

| ক্ৰমিক নং | আন্তঃগাঁথনি | স্থান | গাঁৱৰ পৰা দূৰত্ব |
|---|---|---|---|
| ১ | বাছ আস্থান | শুকলাই | ৮ কিঃমিঃ |
| ২ | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ | ডিমাকুছি | ১২ কিঃমিঃ |
| ৩ | প্ৰাথমিক বিদ্যালয় | ৰাজাগড় | গাঁৱৰ ভিতৰতে |
| ৪ | মাধ্যমিক বিদ্যালয় | ৰাজাগড় | গাঁৱৰ ভিতৰতে |
| ৫ | ডাকঘৰ | ৰাজাগড় | গাঁৱৰ ভিতৰতে |
| ৬ | হাইস্কুল | শুকলাই | ৮ কিঃমিঃ |
| ৭ | বেংক | ডিমাকুছি | ১২ কিঃমিঃ |
| ৮ | অংগনৱাড়ী কেন্দ্ৰ | ৰাজাগড় | গাঁৱৰ ভিতৰতে |
| ৯ | আৰক্ষী চকী | ডিমাকুছি | ১২ কিঃমিঃ |
| ১০ | ফৰেষ্ট বীট অফিচ | নালাপাৰা | ৫ কিঃমিঃ |
| ১১ | ৰে'ল ষ্টেচন | খৈৰাবাৰী | ৪০ কিঃমিঃ |
| ১২ | কলেজ | ডিমাকুছি | ১২ কিঃমিঃ |
| ১৩ | সাপ্তাহিক বজাৰ | ডিমাকুছি | ১২ কিঃ মিঃ |
| ১৪ | ভি চি ডি চি | ৰাজাগড় | গাঁৱৰ ভিতৰতে |

## তালিকা- ৬ ঃ কৃষি শস্য

তালিকা নং ৬ ঃ কৃষি শস্য

| বিষয় | বৰষুণৰ দ্বাৰা উৎপাদিত | | জলসিঞ্চন | |
|---|---|---|---|---|
| | শস্যৰ নাম | মাটিকালি (হেক্টৰত) | শস্যৰ নাম | মাটিকালি (হেক্টৰত) |
| খাৰিফ | — | — | এন এ | এন এ |
| ৰবি | ৰঙালাই, পানীলাউ, মূলা আদি | ১০০ | এন এ | এন এ |
| অন্যান্য | তামোল | ৫৬ | এন এ | এন এ |
| | চাহ ৰোপণ | ৭৯০ | — | — |

## তালিকা- ৭ ঃ ৰাজাগড় ই ডি চিৰ খেতি উৎপাদনৰ বিৱৰণ

তালিকা নং ৭ ঃ ৰাজাগড় ই ডি চিৰ খেতি উৎপাদনৰ বিৱৰণ

| শস্যৰ ধৰণ | মুঠ উৎপাদন (আনুমানিক)/কুইন্টল | প্ৰতি ঘৰৰ উৎপাদন | গড় উৎপাদন (আনুমানিক)/কুইন্টল | শস্য পথাৰৰ আনুমানিক এলেকা (হেক্টৰ) |
|---|---|---|---|---|
| চাহ | ১৪২২০ | ৬১০ | ১৮ | ৭৯০ |
| শাক-পাচলি | ১০০ | ৬৩০ | ১ | ১০০ |
| তামোল | ৫৬০ | ৩৬০ | ১০ | ৫৬ |

## তালিকা- ৮ ঃ পশুধনৰ খাদ্য

তালিকা নং— ৮ ঃ ই ডি চিৰ অধীনত উপলব্ধ পশুখাদ্য

| খাদ্যৰ ধৰণ | ১ৰ পৰা ৩ মাহ | ৩ৰ পৰা ৬ মাহ | > ৬ মাহ |
|---|---|---|---|
| শস্যৰ অৱশিষ্ট | আছে | | |
| গছৰ পাত | | আছে | |
| ঘাঁহ-বন | | | আছে |
| সেউজীয়া খাদ্য | আছে | | |
| বনাঞ্চলৰ ঘাঁহনি | | | আছে |

## তালিকা- ৯ ঃ গাঁৱৰ পৰা বজাৰৰ অৱস্থিতি

তালিকা নং ৯ ঃ গাঁৱৰ পৰা বজাৰৰ অৱস্থিতি/দূৰত্ব

| ক্ৰয় কৰাৰ বাবে | অৱস্থান | গাঁৱৰ পৰা দূৰত্ব (কিঃমিঃ) |
|---|---|---|
| ৰেচনৰ দোকান | ৰাজাগড় | গাঁৱৰ ভিতৰতে |
| সাপ্তাহিক বজাৰ | ডিমাকুছি | ১২ কিঃমিঃ |
| প্ৰধান বজাৰ | ডিমাকুছি | ১২ কিঃমিঃ |
| বন নিগমৰ বিক্ৰী কেন্দ্ৰ | এন এ | — |
| টেণ্ডু পট্টা পি এইচ এ ডি | এন এ | — |
| মাছ বজাৰ | ডিমাকুছি | ১২ কিঃমিঃ |
| ঔধধি গছ সংগ্ৰহ কেন্দ্ৰ | এন এ | — |
| বন নিগমৰ ঔধধি গছ সংগ্ৰহ কেন্দ্ৰ | এন এ | — |

## তালিকা- ১০ ঃ জলসম্পদৰ সুবিধা

তালিকা নং— ১০ত গাঁওখনত উপলব্ধ জলসম্পদৰ সুবিধাৰ বিৱৰণ

| জলসম্পদ | সংখ্যা | পানীৰ উপলব্ধতা | ব্যৱহাৰ |
|---|---|---|---|
| জান | এন এ | — | — |
| দমকল | এন এ | | |
| কুঁৱা | ২টা বছৰজোৰা | বছৰজোৰা | খোৱা আৰু ঘৰুৱা ব্যৱহাৰ |

## তালিকা- ১১ ঃ ইন্ধনৰ ব্যৱহাৰ

তালিকা নং— ১১ত ৰাজাগড় ই ডি চি এলেকাত ব্যৱহৃত ইন্ধনৰ বিৱৰণ

| ইন্ধনৰ ধৰণ | নিৰ্ভৰশীল আৱাসৰ সংখ্যা | নিৰ্ভৰ হ'বলগীয়া মাহৰ সংখ্যা | সংগ্ৰহৰ উৎস (স্থানীয়ভাৱে, গাঁৱত, বনাঞ্চলত, অন্যান্য) | প্ৰধান/বিকল্প উৎস |
|---|---|---|---|---|
| খৰি | ৬৫৫ | গোটেই বছৰ | ঘৰুৱা/বনাঞ্চল | প্ৰধান উৎস |
| কেৰাচিন ষ্টʼভ | ১৪২ | গোটেই বছৰ | বজাৰ | বিকল্প ব্যৱহাৰ |
| গোবৰ/জৈৱিক গেছ | — | — | — | — |
| এল পি জি | ২০২ | — | স্থানীয় গেছ এজেন্সী | বিকল্প ব্যৱহাৰ |
| বৈদ্যুতিক হিটাৰ | — | — | — | — |

# ৰেকৰ্ড-২

## জীৱিকাৰ সুযোগ পৰ্যালোচনা

## তালিকা- ১২ কৃষি আৰু উদ্যান শস্য

তালিকা নং— ১২ত কৃষি আৰু উদ্যান ক্ষেত্ৰৰ তথ্যৰ বিৱৰণ

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| ন্যূনতম উৎপাদন | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| গুদাম আৰু উৎপাদন | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| বেচা-কিনা | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |

# তালিকা- ১৩ পশুধন

তালিকা নং— ১৩ত পশুধন

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| চৰণীয়া পথাৰৰ অভাৱ | ◆ প্ৰযোজ্য নহয়। | — | — |
| পশু খাদ্যৰ উপলব্ধতা | ◆ দুৰ্বল বিত্তীয় অৱস্থাৰ বাবে বজাৰৰ পৰা পশু খাদ্য ক্ৰয় কৰাত অপাৰগ।<br>◆ গোটেই বছৰজুৰি সেউজীয়া খাদ্য উপলব্ধ নহয়। | ◆ পশুপালনৰ দ্বাৰা অধিক আয়ৰ সুবিধা।<br>◆ গাঁওবাসীয়ে সহজলভ্যভাৱে পশুখাদ্য লাভ কৰিলে বৈকল্পিক জীৱিকা হিচাপে ল'ব পাৰে। | |
| পশু চিকিৎসাৰ সুবিধা | ◆ কোনো পশু চিকিৎসা কেন্দ্ৰ নাই।<br>◆ পশুপালনৰ বাবে উপযুক্ত জ্ঞানৰ অভাৱ। | ◆ বেমাৰ নিয়ন্ত্ৰণ।<br>◆ গাইগৰু বা পশুধনৰ জীৱনকাল বৃদ্ধি।<br>◆ এনে ব্যৱস্থাই গাঁওবাসীৰ মাজত সজাগতা বৃদ্ধিৰ লগতে পশুপালনত উদগনি যোগাব। | |
| দুগ্ধ উৎপাদন আৰু ডায়েৰী উৎপাদক | ◆ দুগ্ধ উৎপাদনৰ বাবে পশুপালনৰ বৈজ্ঞানিক জ্ঞানৰ অভাৱ। | ◆ দুগ্ধ উৎপাদনৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ গ্ৰহণে দুগ্ধ উৎপাদনৰ দক্ষতা বৃদ্ধি কৰিব।<br>◆ দুগ্ধ উৎপাদন বৃদ্ধি কৰিবলৈ ওপৰঞ্চি 'মিল্ক বুষ্টাৰ, মিল্ক প্লাছ' আদিৰ দৰে দ্ৰব্যৰ ব্যৱহাৰ। | |
| গাখীৰৰ বজাৰ | ◆ গাখীৰৰ বাবে মুখ্য বজাৰৰ লগত কম সংযোগ<br>◆ গাখীৰৰ পৰা উৎপাদিত বিভিন্ন দ্ৰব্যৰ চাহিদাৰ বিষয়ে সম্যক জ্ঞান। | ◆ এই অঞ্চলত গাখীৰৰ বজাৰত প্ৰচুৰ চাহিদা দেখা যায়। | |

## তালিকা- ১৪ এন ডব্লিউ এফ পি

তালিকা নং— ১৪-ত এন ডব্লিউ এফ পি

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| সংগ্ৰহৰ পৰিমাণ কম | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| হ্ৰস্বম্যাদী সংগ্ৰহ | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| কম হাৰ | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |
| অতিৰিক্ত মূল্য সংযোজন | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় | ◆ প্ৰযোজ্য নহয় |

## তালিকা- ১৫ বিশেষ দক্ষতা

তালিকা নং— ১৫ত হস্ততাঁতৰ বিশেষ দক্ষতাৰ বিৰৰণ

| সীমাবদ্ধতা | কাৰণ | সুযোগ | কাৰ্য আঁচনি |
|---|---|---|---|
| কেঁচা সামগ্ৰীৰ উপলব্ধতা | ◆ নিকটৱৰ্তী স্থানত কেঁচা সামগ্ৰীৰ অভাৱ।<br>◆ বজাৰৰ দূৰত্ব ২৫ কিঃমিঃ | ◆ কেঁচা সামগ্ৰী মজুতকৰণৰ বাবে উমৈহতীয়া স্থানৰ আৱশ্যকতা। | ◆ কেঁচা সামগ্ৰীৰ বাবে মজুতকৰণ বেংক স্থাপন। |
| উৎপাদিত সামগ্ৰীৰ গুণমান | ◆ উচ্চ মানবিশিষ্ট সামগ্ৰীৰ অভাৱ<br>◆ পৰম্পৰাগত কাৰ্যশৈলী যন্ত্ৰপাতিৰ ব্যৱহাৰ। | ◆ নতুন প্ৰযুক্তিয়ে উৎপাদন আৰু আয় বৃদ্ধি কৰিব।<br>◆ নতুন বজাৰ উদ্ভাৱন আৰু দখলৰ বাবে উচ্চ মানবিশিষ্ট সামগ্ৰীৰ বিকাশ। | ◆ আধুনিক যন্ত্ৰপাতিৰ ব্যৱহাৰৰ প্ৰশিক্ষণ।<br>◆ গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান কৰা। |
| বেচা-কিনাৰ সম্ভাৱনীয়তা | ◆ নিৰ্ধাৰিত মানৰ বজাৰৰ অভাৱ<br>◆ মূল্য নিৰ্ধাৰণৰ নীতিৰ অভাৱ<br>◆ প্ৰতিষ্ঠানগত ক্ৰেতাৰ সৈতে যোগাযোগৰ অভাৱ<br>◆ নতুন সামগ্ৰীৰ বিকাশৰ অভাৱ | ◆ নতুন উৎপাদিত সামগ্ৰীৰ বাবে বজাৰ উদ্ভাৱন। | ◆ প্ৰতিষ্ঠানগত ক্ৰেতাৰ সৈতে অধিক পৰিমাণৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰা। |
| ঋণৰ সুবিধা | ◆ আত্মসহায়ক গোটৰ মাধ্যমত ঋণৰ সুবিধা।<br>◆ বেংক অথবা চৰকাৰী আঁচনি সন্দৰ্ভত জ্ঞানৰ অভাৱ। | ◆ বিত্তীয় প্ৰতিষ্ঠানৰ সৈতে জনসমূদায়ৰ মাজত যোগাযোগ স্থাপন তথা বিশ্বাসযোগ্যতা বৃদ্ধিৰে ঋণৰ সুবিধা প্ৰদান।<br>◆ চৰকাৰৰ দ্বাৰা বিত্তীয় সহযোগিতা।<br>◆ সহজলভ্য ঋণ প্ৰদান। | ◆ বিত্তীয় প্ৰতিষ্ঠানৰে গ্ৰাহক সেৱা বিভাগৰে যোগাযোগ ব্যৱস্থা স্থাপন।<br>◆ ক্ষুদ্ৰ ঋণ, সাময়িক ঋণ, মূলধনী ব্যয় ব্যৱস্থা। |
| উৎপাদিত সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণ | ◆ নতুন সামগ্ৰীৰ বিকাশ অথবা সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণৰ অভাৱ।<br>◆ সামগ্ৰীৰ ভিন্ন ৰূপান্তৰণৰ বাবে ধাৰণাৰ অভাৱ। | ◆ চাহিদাৰ ওপৰত ভিত্তি কৰি সামগ্ৰীৰ বিকাশ তথা আধুনিক বজাৰৰ আৱশ্যকতাৰ ভিত্তিত সামগ্ৰীৰ বিকাশ। | ◆ দক্ষতা বিকাশ আৰু নতুন সামগ্ৰীৰ বিকাশৰ বাবে প্ৰশিক্ষণ। |

# তালিকা- ১৬ ঋণৰ সুবিধা

তালিকা নং— ১৬ত ঋণৰ সুবিধা

| সীমাবদ্ধতা | কাৰণ | সুযোগ |
|---|---|---|
| ঋণগ্ৰস্ততা | — | ◆ গাঁৱৰ সমীপৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |
| সুদৰ হাৰ | ◆ ব্যক্তিগত ঋণদাতাৰ দ্বাৰা অধিক হাৰত সুদ গ্ৰহণ। | ◆ ৰাজসাহায্যযুক্ত ঋণ ব্যৱস্থাপনা |
| ঋণৰ উপলব্ধতা | ◆ ক্ষতি স্বীকাৰৰ আশংকা<br>◆ তথ্য-পাতি সংগ্ৰহৰ বাবে জ্ঞানৰ অভাৱ। | ◆ উদগনিমূলক প্ৰতিষ্ঠানৰ উদ্যোগ |
| বন্ধকীৰ অসুবিধা | ◆ বন্ধকীৰ বাবে সা-সম্পত্তিৰ উপযুক্ত কাগজ-পাতিৰ অভাৱ। | ◆ গাঁও এলেকাত প্ৰয়োজনীয় কাগজ-পাতিৰ বাবে পৰ্যাপ্ত সজাগতা সৃষ্টি। |

Divisional Forest Officer
Dhansiri Forest Division
Udalguri, BTC